# ECHO OF HIS CALL

## যীচু খ্ৰীষ্টৰ আহ্বানৰ প্ৰতিধ্বনি ASSAMESE

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

*India's National Spiritual Newspaper* ₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

**Editor : S. SAM SELVA RAJ** **16 Languages** **Associate Editor : Sis. Bornali Thapa Raj**

VOL.XX YEAR OF OUR LORD JESUS CHRIST, 2020 MARCH No: 12


### Holy Bible

*PSALM 138:1-8*

### পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক !**

**প্ৰভুৰ প্ৰশংসা হওঁক !**

**গীতমালা ১৩৮ঃ১-৮**

১। মোৰ সমস্ত চিত্তেৰে মই তোমাৰ ধন্যবাদ কৰিম দেৱতাবোৰৰ আগতে মই তোমাৰ প্ৰশংসাৰ গান কৰিম।

২। মই তোমাৰ পবিত্ৰ মন্দিৰলৈ মুখ কৰি প্ৰণিপাত কৰিম, তোমাৰ দয়া আৰু সত্যতাৰ কাৰণে তেওঁৰ নামৰ ধন্যবাদ কৰিম, কিয়নো তোমাৰ সমস্ত নামতকৈয়ো তুমি নিজ বাক্য মহৎ কৰিলা।

৩। মই প্ৰাৰ্থনা কৰা কালত তুমি মোক উত্তৰ দিলা, তুমি মোৰ প্ৰাণক শক্তি দি সাহিয়াল কৰিলা।

৪। হে যিহোৱা, পৃথিৱীৰ সকলো ৰজাই তোমাৰ ধন্যবাদ কৰিব, কিয়নো তেওঁবিলাকে তোমাৰ মুখৰ বাক্য শুনিলে।

৫। এনে কি, তেওঁবিলাকে যিহোৱাৰ পথৰ বিষয়ে গান কৰিব; কিয়নো যিহোৱাৰ গৌৰৱ মহৎ।

৬। কাৰণ যদিও যিহোৱা উন্নত, তথাপি তেওঁ নম্ৰ লোকলৈ দৃষ্টি কৰে, কিন্তু তেওঁ অহংকাৰী লোকক দূৰৈৰ পৰা জানে।

৭। যদিও মই সংকটৰ মাজেদি গমন কৰোঁ, তথাপি তুমি মোক জীয়াই ৰাখিবা, তুমি মোৰ শত্ৰুবোৰৰ ক্ৰোধৰ অহিতে তোমাৰ হাত মেলিবা আৰু তোমাৰ সোঁহাতে মোক পৰিত্ৰাণ কৰিব।

৮। যিহোৱাই মোক পক্ষে সকলোকে সিদ্ধ কৰিব, হে যিহোৱা, তোমাৰ দয়া চিৰকাললৈকে থাকে, তোমাৰ হাতৰ কৰ্মক ত্যাগ নকৰিবা।

# ঈশ্বৰৰ উপস্থিতিৰ শক্তি

# The Power of the Lord's Presence

এই বাৰ্তাত ঈশ্বৰৰ উপস্থিতিৰ মহা পৰাক্ৰমৰ শক্তিৰ বিষয়ে আছে - আমি কিদৰে সেই শক্তিক ধৰি ৰাখিব পাৰো? ঈশ্বৰৰ বাবে জীয়াই থাকিবলৈ তেওঁৰ সন্তানবিলাকক ঈশ্বৰৰ উপস্থিতিয়ে কিদৰে শক্তি যোগাই তাৰ উদাহৰণ শাস্ত্ৰত বহুতো পোৱা যায়। ইয়াৰেই এক আটাইতকৈ শক্তিশালী উদাহৰণ আমি মোচিৰ জীৱনত দেখা পাওঁ।

মোচি পতিয়ন গৈছিল যে তেওঁৰ জীৱনত ঈশ্বৰৰ উপস্থিতিৰ অবিহনে যিকোনো বস্তু পাবলৈ চেষ্টা কৰাটো অনৰ্থক। যেতিয়া তেওঁ ঈশ্বৰৰ সৈতে মুখামুখীকৈ কথা পাতি আছিল তেওঁ ক'লে, "... যদি তুমি স্বয়ং মোৰ লগত নোযোৱা, তেন্তে আমাক ইয়াৰ পৰা লৈ নাযাবা" (যাত্ৰাপুস্তক ৩৩ঃ১৫)। তেওঁ কৈছিল, "হে ঈশ্বৰ, যদি তোমাৰ উপস্থিতি মোৰ লগত নাযায় তেন্তে মই ক'লৈকো নাযাওঁ। তুমি মোৰ লগত যে আছা তাক নিশ্চিত নোহোৱা পৰ্যন্ত এখোজো আগনাবাঢ়ো!"

মোচিয়ে জানিছিল যে ঈশ্বৰৰ উপস্থিতিয়ে আন সকলো জাতিবিলাকৰ মাজৰ পৰা ইস্ৰায়েলক পৃথক কৰিছে। একেদৰে আজিৰ যীচুখ্ৰীষ্টৰ মণ্ডলীটো হৈ আছে। এটাই বস্তু আমাক অবিশ্বাসীবিলাকৰ পৰা পৃথককে ৰখাৰ কাৰণ হৈছে ঈশ্বৰ আমাৰ "লগত আছে" চলাই আছে, পথ দেখুৱাই আছে, তেওঁৰ ইচ্ছা আমাৰ সৈতে কাৰ্য কৰি আছে আৰু আমাৰ সৈতে আছে।

আন জাতিবিলাকে কিদৰে তেওঁবিলাকৰ সহায় পাইছিল, কৌশলবোৰ ৰচনা কৰিছিল, চৰকাৰ চলাইছিল বা সৈন্য সামন্তক আদেশ দিছেল তাৰ বিষয়ে মোচিয়ে অলপো কেৰেপ কৰা নাছিল। তেওঁ কৈছিল, "আমি কেৱল এক নীতিক লৈ কাৰ্য কৰো। এই পতিত ভূমিত যুদ্ধ কৰিবলৈ, জীয়াই থাকিবলৈ, চলিবলৈ বা চালিত হ'বলৈ এটাই আমাৰ পথ আছে আৰু সেয়ে হৈছে ঈশ্বৰৰ উপস্থিতিক আমাৰ লগত ৰাখা!

"যেতিয়া ঈশ্বৰৰ উপস্থিতি আমাৰ মাজত থাকে, কোনেও আমাক অনিষ্ট কৰিব নোৱাৰে। কিন্তু তেওঁৰ অবিহনে আমি একোৱেই নহওঁ। এই পৃথিৱীৰ জাতিবিলাকে তেওঁবিলাকৰ পৰাক্ৰমী সৈন্য-সামন্ত, দক্ষ সেনা আৰু তেওঁবিলাকৰ নতুন নতুন অস্ত্ৰবোৰৰ ওপৰত নিৰ্ভৰ কৰিবলৈ দিয়ক। আমি আমাৰ ঈশ্বৰৰ স্পষ্ট উপস্থিতিত ভাৰসা ৰাখিম!"

আমি ইয়াত পাওঁ যে ঈশ্বৰে কিদৰে মোচিৰ এনে সাহসী মন্তব্যৰ উত্তৰ দিছিল ঃ "... মই স্বয়ং তোমাৰ লগত যাম আৰু তোমাক বিশ্ৰাম দিম" (যাত্ৰাপুস্তক ৩৩ঃ১৪)। কি যে এক আচৰিত প্ৰতিজ্ঞা! ইয়াত বিশ্ৰাম শব্দৰ হিব্ৰী অৰ্থটো হৈছে "শান্তিজনক, এক শান্ত আৰামদায়ক।" ইয়াত ঈশ্বৰে কৈ আছে, তুমি যিকোনো শত্ৰু বা পৰীক্ষাৰ সন্মুখীন হ'লেও, তুমি সদায় মোত শান্ত বিশ্ৰাম পাব পাৰিবা!"

ইয়াৰ বিষয়ে চিন্তা কৰি চাওক। যদি এটা মণ্ডলীৰ মাজত ঈশ্বৰৰ স্পষ্ট উপস্থিতি থাকে, তাত কোনো হাই-কাজিয়া নাথাকিব, ঘাম বা কষ্ট নাথাকিব। উপাসনা ছুটী কৰিবলৈ কেৱল তিনিটা গীত গাই, দান তুলি, ছুটী বাৰ্তা দি শেষ কৰা নহ'ব। পৰিৱৰ্তে তাত শান্ত, শান্তি বা শান্ত বিশ্ৰাম থাকিব - যিকোনো ইয়াৰ দুৱাৰেদি প্ৰৱেশ কৰিব তেওঁ ইয়াক অনুভৱ কৰিব।

অৱশ্যে ইয়াৰ অৰ্থ এয়ে নহয় যে উপাসনাত হুলস্থুলীয়া প্ৰাৰ্থনা গীৰ্জা কৰিব লাগে। তাৰ বিপৰীতে

*৪ পৃষ্ঠাত চাওঁক*

# শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা
# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী, উৰ্দ্দু, সিংহলী আৰু আফ্ৰিকান (মাহেকীয়া আলোচনী)





## "... তোমাৰ মংগল হ'ব" (ইয়োব ২২ঃ২১)

যীচু খ্ৰীষ্টত প্ৰিয় বন্ধুসকল,

আমাৰ ত্ৰাণকৰ্তা আৰু প্ৰিয় প্ৰভু যীচু খ্ৰীষ্টৰ নামত শুভেচ্ছা জনাইছো। আশা কৰো আমি প্ৰাৰ্থনা কৰাৰ বাবে আপোনালোকেও নিজ নিজ জীৱনৰ সকলো প্ৰান্তত ঈশ্বৰৰ শক্তিক উপভোগ কৰি আছে।

আজিকালি শুনিবলৈ পাইছো যে পৃথিৱীৰ বিভিন্ন দেশত জীৱনৰ বিভিন্ন পথত মানুহৰ ওপৰত পৱিত্ৰ আত্মা বাকি দিয়া হৈছে। আমি আৰু শুনিবলৈ পাইছো যে আমাৰ যি বন্ধুসকল আৰু বিশিষ্ট ব্যক্তিসকল প্ৰভু যীচু খ্ৰীষ্টক বিশ্বাস কৰাৰ পৰা আঁতৰত আছিল, তেওঁলোকে তেওঁৰ পৰিত্ৰাণৰ জ্ঞানলৈ ঘূৰি আহিছে আৰু যীচু খ্ৰীষ্টক তেওঁলোকৰ প্ৰভু আৰু ত্ৰাণকৰ্তাৰূপে মুকলিকৈ বিশ্বাস কৰি ঘোষণা কৰিছে। চলচিত্ৰ জগত, ক্ষমতাত থকা ৰাজনীতিবিদসকলো ইয়াত অন্তৰ্ভুক্ত হৈ আছে। গতিকে বিভিন্ন মতবাদ নিৰ্বিশেষে যি লোকসকলে পৰিচৰ্যা কৰিবলৈ প্ৰাৰ্থনা কৰি আছে তেওঁলোকে আজিৰ কঠিন পৰিস্থিতিৰ মাজতো বিভিন্ন দেশবিলাকত থকা মানুহলৈ প্ৰভু যীচু খ্ৰীষ্টৰ শুভবাৰ্তাবিলাকৰ বাবে প্ৰভুক ধন্যবাদ দিবলৈ আমি একেলগে কাৰ্য কৰিব লাগে।

আত্মিক জগতত যি যি ঘটি আছে সেই সকলো সত্য ঘটনাবোৰক মিডিয়াৰ লোকবিলাকে প্ৰকাশ কৰিবলৈ সাহস পাবলৈ আমি প্ৰাৰ্থনা কৰা উচিত। মানুহৰ মাজত ঈশ্বৰৰ পৰিচৰ্যা বেছিভাগকেই সাধাৰণ মানুহৰ জ্ঞানলৈ অনা হোৱা নাই বা দৃষ্টিগোচৰ হোৱা নাই। এই মাহত আহক আমি বিশেষকৈ মিডিয়া এজেন্সীবোৰ যেনে - বাতৰি কাকত, টেলিভিশ্বন, ইণ্টাৰনেট, হোৱাট্ আপ এপ ইত্যাদিবিলাকৰ বাবে প্ৰাৰ্থনা কৰোহক। যাতে তেওঁবিলাকে এই আত্মিক জগতত ঘটি থকা আচৰিত কৰ্মবোৰ আৰু প্ৰকৃত ঘটনাবোৰক ছপা কৰিবলৈ আগবাঢ়ি আহিব। প্ৰতিদিনে আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ শক্তিৰ যোগেদি মানুহবিলাকৰ জীৱনত আচৰিত কৰ্মবোৰ ঘটি আছে। আমাৰ প্ৰাৰ্থনা যুঁজাৰুসকলৰ ক্ৰন্দন শুনাৰ বাবে ঈশ্বৰক ধন্যবাদ জনাও আৰু কঠিন ঠাইবোৰত ঈশ্বৰৰ দাসসকলে শুভবাৰ্তা বিলোৱাৰ কঠিন পৰিশ্ৰমক ঈশ্বৰে সমাদৰ কৰাৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ।

আমাৰ মিশ্বন ক্ষেত্ৰতো আমাৰ কৰ্মীসকলে পৰিচৰ্যা কৰা লোকবিলাকৰ মাজত সাফল্য অৰ্জন কৰাৰ বিষয়ে আমি শুনি আছো।

এই বছৰ ৯ জানুৱাৰীত আমি দক্ষিণ ভাৰতৰ তিৰোনেলভেল্লী নামৰ ঠাই এখনলৈ মিশ্বনেৰী যাত্ৰা কৰাৰ সময়ত প্ৰায় ১২-৩০ বজাত আবেলি ঘাইপথৰ কাষত থকা হোটেল এখনত আমি ৰ'লো। হোটেলত আমি বহা টেবুলৰ আনফালৰ বেঞ্চত এহাল স্বামী-স্ত্ৰীও আহি বহিল, আমি দীঘলীয়া যাত্ৰা কৰাৰ বাবে ভাগৰি গৈছিলো। গতিকে আমি কফি মন দি খাই উপভোগ কৰি আছিলো। সেই পুৰুষজনে আমাক গভীৰভাৱে মন দি চাই আছিল, তেওঁ অকস্মাতে আমাক সাৱটি ধৰি তলত উল্লেখ কৰা আকৰ্ষণীয় মন্তব্যবোৰ কৰিছিল ঃ



*"প্ৰিয় ভাই চাম, আপুনি মোক চিনি পাইছেনে? মই চেন্নাইত থকা আপোনাৰ নহিমিয়া বাইবেল কলেজৰ ১৯৯২-১৯৯৪ শিক্ষাবৰ্ষৰ এজন ছাত্ৰ আছিলো আৰু মোৰ নাম হৈছে ৰেভাঃ ৰমা দাস। আপুনি তেতিয়া কলেজৰ প্ৰশাসক আছিল আৰু ছাত্ৰবিলাকক শিক্ষাদানো কৰিছিল। মই তেতিয়া 'ধিনাথান্টি' নামৰ এজন বিখ্যাত দৈনিক বাতৰি কাকতৰ কোম্পানীত কাম কৰি আছিলো। এদিনাখন যেতিয়া আপুনি প্ৰভু যীচু খ্ৰীষ্টৰ সাৰ্বভৌম ক্ষমতাৰ বিষয়ে কৈ আছিল আৰু যেতিয়া আপুনি চৰকাৰী কাৰ্যালয়ত এটা পদত চাকৰি কৰি আছিল তেতিয়া প্ৰভু যীচু খ্ৰীষ্টই কিদৰে আপোনাক তেওঁৰসম্পূৰ্ণ সময় পৰিচৰ্যাৰ বাবে আহবান কৰিছিল আৰু আপোনাক তেওঁৰ পৰিচৰ্যাত প্ৰভু যীচু খ্ৰীষ্টই কিদৰে প্ৰত্যাহবান জনাই ব্যৱহাৰ কৰি আছিল আৰু আপোনাৰ জীৱনৰ সেই কৃতকাৰ্যৰ বিষয়েও ব্যাখ্যা কৰি কৈছিল।*

CHIEF EDITORS
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.
MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager
EDITORIAL BOARD
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.
ADVISORY BOARD
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.
PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
**Phone :** (+91-44) 2852 8282
2852 9293, 2854 7766
**Email :** sam@echoofhiscall.org
biblecor@yahoo.co.in
**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com

*তেতিয়া প্ৰভুৱে মোৰ হৃদয়কো স্পৰ্শ কৰিলে আৰু তেওঁৰ সম্পূৰ্ণ সময়ৰ পৰিচৰ্যাৰ উদ্যোগত মোকো নিক্ষেপ কৰিবলৈ বিচাৰিলে। সেই অনুপাতে মই মোৰ শিক্ষা শেষ কৰাৰ পাছত সাহেৰে বাতৰি কাগজৰ কোম্পানী তথা জগতৰ চাকৰি ত্যাগ কৰি প্ৰভু যীচু খ্ৰীষ্টৰ পৰিচৰ্যাত প্ৰৱেশ কৰিলো। এতিয়া ঈশ্বৰে মোক আশীৰ্বাদ কৰি এজন জেষ্ঠ পালকৰূপে গঢ়ি তুলিলে। তেওঁ মোক এটা ডাঙৰ গীৰ্জাঘৰ, ঘৰ, বাহন ইত্যাদি যোগাই দিলে আৰু তেওঁ মোক সকলো সহায় দি আছে। মই মোৰ ভাৰ্যা আৰু জীয়াৰীয়ে একেলগে পৰিচৰ্যা কৰি আছো! নহিমিয়া বাইবেল কলেজৰ পৰিচৰ্যাৰ বাবে প্ৰভুক ধন্যবাদ জনাওঁ!!*

দ্বিতীয়তে আমাৰ বিব্লিকৰ নামৰ বেচিক বাইবেল পাঠ্যক্ৰমৰ বিষয়ে আপুনি জানে। আপোনাৰ বাবে নতুন জীৱন নামৰ এখন আচৰিত পুস্তক এই পাঠ্যক্ৰমৰ বাবে ১৯৮০ চনৰ পৰা ইংৰাজী, তামিল আৰু হিন্দী এই তিনিটা ভাষাত আমি ব্যৱহাৰ কৰি আছো। এই পাঠ্যক্ৰমৰ দ্বাৰাই ভাৰত তথা ইয়াৰ ওচৰ চুবুৰীয়া দেশৰ হাজাৰ হাজাৰ লোক আশীৰ্বাদপ্ৰাপ্ত হৈছে। কৃতকাৰ্যৰে এই পাঠ্যক্ৰম সম্পূৰ্ণ কৰা প্ৰাৰ্থীসকলক আমি চাৰ্টিফিকেটৰ দ্বাৰাই পুৰস্কৃত কৰো। বিভিন্ন মিশ্বন আৰু বিভিন্ন বয়সৰ লোকে এই পাঠ্যক্ৰমৰ প্ৰাৰ্থী হৈ থাকে। তলত আমি দক্ষিণ ভাৰতৰ অন্ধ্ৰপ্ৰদেশৰ পৰা আমাৰ প্ৰাক্তন ছাত্ৰী ভনী অন্নপূৰ্ণাই লিখা পত্ৰ এখন কোনো সালসলনি নকৰাকৈ ইয়াত প্ৰকাশ কৰিছো।

*খ্ৰীষ্টত প্ৰিয় ভাই,*

*আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামত শুভেচ্ছা জনালো। মই এম. অন্নপূৰ্ণাই লিখিছো। মই “বিব্লিকৰ” পাঠ্যক্ৰমৰ “আপোনাৰ বাবে নতুন জীৱন” নামৰ পুস্তকখন পালো। এই বাইবেল পাঠ্যক্ৰম গ্ৰহণ কৰি মই বহুত আনন্দিত হৈছো। এই পুস্তকখন বহুত ব্যৱহাৰিক আৰু এই পুস্তকখনত থকা শব্দবোৰ আৰু বাক্যবোৰ উজু আৰু বুজিবলৈও উজু। গতিকে মই বাইবেলৰ বাক্য ভালকৈ শিকি গৈছো।*



*এই পাঠ্যক্ৰম কৰি মই বহুত আনন্দিত হৈছো। এজন প্ৰকৃত খ্ৰীষ্টিয়ানে কিদৰে ব্যৱহাৰ কৰিব লাগে তাক মই বুজি পালো আৰু এই সত্যবোৰক পালন কৰিবলৈ মই মনত ৰাখিছো। মই এই পাঠ্যক্ৰম সন্তোষজনকভাৱে সম্পূৰ্ণ কৰিলো। এই পাঠ্যক্ৰমৰ উত্তৰ বহীৰ লগতে এই পত্ৰখনো পঠিয়াইছো। এই বাইবেল পাঠ্যক্ৰমটি কৰি মই বহুত আশীৰ্বাদপ্ৰাপ্ত হৈছো। মোলৈ এই পাঠ্যক্ৰম পঠোৱাৰ বাবে বহুত ধন্যবাদ জনাইছো।*

*মই আপুনি পঠোৱা পত্ৰৰ সৈতে “প্ৰতিজ্ঞাৰ কাৰ্ড” ২০২০ এখন “বাইবেল অধ্যয়ন কৰাৰ তালিকা”খন পাইছো। এইবোৰক পায়ো মই অতি আনন্দিত হৈছে। এই পত্ৰিকাবোৰ পঠোৱাৰ বাবেও মই ধন্যবাদ জনাইছো।*

*নৱবৰ্ষৰ পৰা মই প্ৰতিমাহে আপোনালৈ ২০০ টকাকৈ পঠিয়াবলৈ ইচ্ছা কৰিছো। অনুগ্ৰহ কৰি আপোনাৰ মণ্ডলীৰ পৰিচৰ্যাৰ বাবে ব্যৱহাৰ কৰক। এই ২০০ টকা মনি অৰ্ডাৰ যোগেদি পঠিয়াবলৈ লৈছো। অনুগ্ৰহ কৰি ইয়াক সংগ্ৰহ কৰি ল’ব।*

*মোলৈ আৰু মোৰ পৰিয়ালৰ বাবে পঠোৱা বৰদিন আৰু নৱবৰ্ষৰ শুভেচ্ছাৰ বাবে মই ধন্যবাদ জনাইছো। আপোনালৈ আৰু আপোনাৰ পৰিয়ালবৰ্গলৈ বৰদিন আৰু নৱবৰ্ষৰ শুভেচ্ছা জনাইছো। ঈশ্বৰে আপোনাক, আপোনাৰ পৰিয়ালবৰ্গ আৰু আপোনাৰ পৰিচৰ্যাত সকলো দিশৰ পৰা ৰক্ষা কৰক।*

*পুনৰ বাৰ শুভ বৰদিন আৰু নৱবৰ্ষৰ শুভেচ্ছা জনালো। মোৰ বিবাহ অৰ্থাৎ এক ভাল জীৱন সংগীৰ বাবে প্ৰাৰ্থনা কৰিব।*

*আমি আপোনাৰ বাবে আৰু আপোনাৰ পৰিচৰ্যাৰ বাবেও প্ৰাৰ্থনা কৰিম। আমি আপোনাক প্ৰেম কৰো আৰু ধন্যবাদ জনাইছো।*

*এম. অন্নপূৰ্ণা*

তৃতীয়তে, দক্ষিণ ভাৰতৰ কেৰেলা ৰাজ্যৰ পৰা অহা এজন জেষ্ঠ বিদ্বান ভাই মোহন দাস ভেছেলক পৰিচয় কৰি দিব বিচাৰো, যিজনে নহিমিয়া বাইবেল কলেজৰ থিয়’ল’জিকেল যোগাযোগ পাঠ্যক্ৰম অধ্যয়ন কৰিছিল। অপলতে আমি তেওঁৰ পৰা পোৱা পত্ৰক তলত উল্লেখ কৰিছো ঃ

*মই চেন্নাইত ‘তেওঁৰ আহবানৰ প্ৰতিধ্বনি’ৰ পৰিচৰ্যাৰ অধীনত থকা ‘নহিমিয়া বাইবেল কলেজ’ত থিয়’ল’জিকেল বাইবেল যোগাযোগ পাঠ্যক্ৰমত যোগ দিছিলো। প্ৰকৃততে মোৰ হৃদয়ক স্পৰ্শ কৰি গ’ল।*



*এই পাঠ্যক্ৰমৰ যোগেদি মই আৰু অধিক বাইবেল অধ্যয়ন কৰিবলৈ ইচ্ছা কৰিলো। গতিকে মই ৭ খন পুস্তক এখনৰ পাছত আনখন অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিলো। প্ৰকৃততেই মই উপলব্ধি কৰিলো যে নতুন জীৱনৰ প্ৰতি মোৰ কোনো জ্ঞান নাছিল। ষষ্ঠম পাঠৰ পুস্তকৰ যোগেদি নতুন দৰ্শন আৰু বাইবেল জ্ঞানৰ বিষয়ে জানিলো। ইয়াৰ যোগেদি মই সঠিক পথত চলিবলৈ শিকিলো আৰু মই এক নতুন জীৱন পালো। বিশেষকৈ এই পাঠ্যক্ৰমে ঈশ্বৰ বিষয়ক জ্ঞান পোৱাত মোক আগতকৈও ভালকৈ সহায় কৰিলে।*

*মণ্ডলীৰ বিষয়ে থকা সপ্তম পাঠৰ পুস্তকখন শিক্ষা দিয়া আৰু ইয়াক ভাঙনি কৰি দিয়াৰ জ্ঞান মোক দিলে। গতিকে মই উৰ্দ্ধলোকত ঈশ্বৰৰ প্ৰশংসা কৰো আৰু নহিমিয়া বাইবেল কলেজৰ থিয়’ল’জিকেল পাঠ্যক্ৰম আৰু তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ। এই পাঠ্যক্ৰমে সঠিকৰূপে মোক ঈশ্বৰৰ বাক্য দিলে আৰু মোৰ জীৱনত উত্তম পথ দেখুৱালে।*

*বিশেষকৈ এই পৰিচৰ্যাৰ পৰিচালক, পালক এচ. চাম ছেলভা ৰাজে মোক বহুত উৎসাহ যোগালে। আৰু মই যেতিয়া ২০১৯ চনৰ ডিচেম্বৰ মাহত এই পৰিচৰ্যাক পৰিদৰ্শন কৰিবলৈ আহিছিলো মই তেওঁৰ জীৱনৰ উদাহৰণৰ যোগেদি এটা মণ্ডলীৰ প্ৰকৃত চলাওতা কোন হ’ব পাৰে তাক দেখিলো। এই সময়ত মোৰ সপোন দিঠকত পৰিণত হ’ল আৰু ঈশ্বৰৰ মেৰলৈ হাল্লিলুয়া বুলি ক’লে। পালক চাম ছেলভা ৰাজে এই সকলো ধৰণৰ আৰাধনা, চলাওতা আৰু প্ৰশিক্ষণত যোগদান কৰিবলৈ অনুমতি দিলে আৰু তেওঁৰ প্ৰেমৰ যোগেদি মোক উৎসাহ যোগালে। প্ৰভুৰ ৰাজ্যৰ বৃদ্ধিৰ বাবে তেওঁ আচৰিত ধৰণে সেৱা কৰি আছে। প্ৰভুৰ পৰিচৰ্যাৰ বাবে তেওঁৰ আচৰিত উৎসৰ্গ আৰু বিশ্বাসৰ পৰিচৰ্যাৰ বিষয়ে মই প্ৰকাশ কৰিব নোৱাৰা হৈছো। মই পৰিদৰ্শন কৰি অতিকৈ শক্তি আৰু জ্ঞান পাইছো। প্ৰভুৰ ৰাজ্যৰ বৃদ্ধিত তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যা আৰু পালক চাম ছেলভা ৰাজ এক উত্তম উদাহৰণ হৈ আছে।*

*মই পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ দলটিক আটাইতকৈ উত্তম শুভেচ্ছা জনাইছো আৰু সকলো ধৰণৰ আশীৰ্বাদবোৰ তেওঁলোকৰ ওপৰত, মিশ্বনত, হাইস্কুল, বাইবেল স্কুল ইত্যাদিত থাকিবৰ বাবে প্ৰাৰ্থনা কৰো।*

*প্ৰচুৰ প্ৰেম আৰু প্ৰাৰ্থনাৰ সৈতে*

*মোহনদাস বেচেল পি.*

যোৱা ২০২০ জানুৱাৰী মাহৰ ২৫ তাৰিখে আমাৰ কেন্দ্ৰ মণ্ডলীৰ সকলো বিশ্বাসীবিলাকে পাদাপ্পাই নামৰ ঠাই এটালৈ গৈ তাত আবাস তম্বুৰ ভোজ আয়োজন কৰাত ঈশ্বৰে সহায় কৰিলে। এই দীঘলীয়া সম্পাদকীয় পত্ৰখন পঢ়াৰ বাবে মোৰ প্ৰিয়সকলক ধন্যবাদ জনাইছো। ঈশ্বৰে আমাক অকথনীয়াভাৱে

আশীৰ্বাদ কৰি আছে আৰু ব্যৱহাৰ কৰি আছে। আমাৰ সকলো সম্পাদক, সহকাৰী সম্পাদক, প্ৰাৰ্থনা অংশীদাৰসকল, জীৱন অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, গ্ৰাহক অংশীদাৰসকল, মিশ্বনেৰীসকল, স্কুলৰ কৰ্মচাৰী, বাইবেল কলেজৰ কৰ্মচাৰী, অফিচৰ কৰ্মচাৰী, ছপাশালৰ পৰিয়ালবৰ্গৰ বাবে আৰু ইত্যাদিৰ বাবে দয়া কৰি প্ৰাৰ্থনা কৰক। এই লোকসকলে ৫১ বছৰ ধৰি তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ কাৰ্যকলাপবিলাক চলাই আছে।

২০২০ ৰ ১ মে দিনটো বিশেষকৈ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহ আৰু গোটেই পৃথিৱীত ইয়াৰ সহকাৰীসকলৰ বাবে প্ৰাৰ্থনা দিন হিচাবে লোৱা হৈছে। ভাৰতৰ চেন্নাইত থকা আমাৰ কেন্দ্ৰ মণ্ডলীত পুৱা ১০ বজাৰ পৰা সন্ধ্যা ৫ টা বজালৈকে আমি ইয়াত এটা বিশেষ গোট হিচাপে জমা হ'ম। আৰু গোটেই পৃথিৱীত থকা আমাৰ সহকাৰী আৰু বন্ধুসকলক এই দিনটোক তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ বাবে আৰু এনে ধৰণৰ আন আন পৰিচৰ্যাবিলাকৰ বাবে প্ৰাৰ্থনাৰ দিন হিচাপে পালন কৰক। আমি আপোনালোকলৈ আমাৰ বন্ধুসকল, অনুষ্ঠানবিলাক আৰু মণ্ডলীসমূহৰ বাবে থকা প্ৰাৰ্থনাৰ বিষয়সমূহ পঠাম।

ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক

এচ. চাম ছেলভা ৰাজ।

---

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

মই বিশ্বাস কৰো যে এনেদৰে কৰিলে প্ৰায়ে মানুহবিলাকক বিশ্ৰাম দিয়ে। এটা মণ্ডলীত যদি ঈশ্বৰৰ উপস্থিতি থাকে তেওঁলোকে সকলো সময়ত প্ৰভুত দৃঢ়তাৰে জীয়াই থাকিব, চলি যাব আৰু আৰাধনা কৰিব।

এই একেটা বিষয় প্ৰত্যেক ব্যক্তিগত খ্ৰীষ্টিয়ানবিলাকৰ বাবে সত্য হয়। যদি আপোনাৰ জীৱনত যীচুৰ উপস্থিতি আছে তেন্তে আপুনি ঈশ্বৰৰ স্বৰ্গীয় আদেশৰ অভিজ্ঞতা লাভ কৰিব। আপুনি শান্ত আৰু শান্তিত থাকিব। সহায় বিচাৰি ইফালে-সিফালে ঘূৰি ফুৰিব নালাগিব। গুৰিটো পৰি নাযাব। আপুনি সকলো বিষয় ঈশ্বৰৰ অধীনত আছে বুলি শান্তিত থাকিব!!

তেওঁৰ বিশ্বাসীবিলাকৰ জীৱনত ঈশ্বৰৰ উপস্থিতিয়ে আনি দিয়া আশীৰ্বাদবোৰক পুৰণি নিয়মত থকা তলত দিয়া উদাহৰণবোৰক চাওক।

অব্ৰাহামৰ জীৱনত ঈশ্বৰৰ উপস্থিতি ইমান প্ৰমাণিত হৈ আছিল যে তেওঁৰ চাৰিওফালে থকা আন আন দেওপূজকবিলাকেও তেওঁবিলাকৰ নিজৰ জীৱন আৰু অব্ৰাহামৰ জীৱনৰ মাজত থকা পাৰ্থক্যক দেখা পালে।

"... অবীমেলকে ... অব্ৰাহামক ক'লে, তুমি কৰা সকলো কাৰ্যতে ঈশ্বৰ তোমাৰ সহায় আছে" (আদিপুস্তক ২১ঃ২২)। এই দেওপূজক ৰজাজনে কৈছিল, "অব্ৰাহাম, তোমাৰ বিষয়ে কিবা এটা বেলেগ হৈ আছে। ঈশ্বৰে তোমাক চলাই আছে, ৰক্ষা কৰি আছে আৰু য'লৈকে যোৱা তাতেই ঈশ্বৰে তোমাক আশীৰ্বাদ কৰি আছে!" ঈশ্বৰে যিহোচুৱাক প্ৰতিজ্ঞা কৰি ক'লে যেতিয়া তেওঁৰ সৈতে ঈশ্বৰৰ উপস্থিতি আছে তেন্তে কোনো শত্ৰু থিয় হ'ব নোৱাৰিব ঃ "তোমাৰ জীৱনৰ গোটেই কালত তোমাৰ আগত কোনো লোক থিয় হ'ব নোৱাৰিব; মই মোচিৰ লগত থকাৰ দৰে তোমাৰ লগতো থাকিম; মই তোমাক নেৰিম, তোমাক ত্যাগ নকৰিম। বলৱান আৰু সাহিয়াল হোৱা" (যিহোচুৱা ১ঃ৫,৬)। যেতিয়া ঈশ্বৰৰ আত্মা আমাৰ লগত থাকে আমি বলৱান আৰু সাহিয়াল হব পাৰো - কিয়নো কোনো শত্ৰুৱে আমাক অনিষ্ট কৰিব নোৱাৰে!

ঈশ্বৰে গিদিয়োনক কৈছিল, "... হে মহাবীৰ যিহোৱা তোমাৰ লগত আছে ... তুমি নিজৰ এই বলেৰে গৈ, মিদিয়নৰ হাতৰ পৰা ইস্ৰায়েলক নিস্তাৰ কৰা ..." (বিচাৰকৰ্তা ৬ঃ১২,১৪)। এই পদটিৰ "নিজৰ এই বলেৰে" এই খণ্ডবাক্যৰ আগৰ পদটোৰ "ঈশ্বৰ তোমাৰ লগত আছে" মিল আছে। "আপুনি দেখিছেনে ঈশ্বৰে কি কৈ আছে?" গিদিয়োন, তোমাত যি বল আছে সেই বল বহুত শক্তিশালী আৰু এই বলে ইস্ৰায়েলক ৰক্ষা কৰিব। এই বলেই হৈছে মোৰ উপস্থিতি।" শাস্ত্ৰত পাওঁ যে গিদিয়োন এজন ভীৰু লোক আছিল তেন্তে, ঈশ্বৰে কিয় তেওঁক "মহাবীৰ" বুলি কৈছিল? তেওঁ গিদিয়োনক প্ৰমাণ কৰি দেখুৱাব বিচাৰিছিল যে ঈশ্বৰৰ উপস্থিতি যেতিয়া লগত থাকে তেতিয়া এজন মানুহে যিকোনো কাৰ্য কৰিব পাৰে!

ঈশ্বৰে যিৰিমিয়া ভাববাদীক সতৰ্ক কৰি কৈছিল যে গোটেই জাতিবিলাকে তেওঁক বিৰোধ কৰিব আৰু তেওঁৰ ভাববাণীক অস্বীকাৰ কৰিব। তথাপিও ঈশ্বৰে প্ৰতিজ্ঞা কৰি ক'লে, "... তেওঁবিলাকে তোমাৰ বিৰুদ্ধে যুদ্ধ কৰিব, কিন্তু তোমাক পৰাজয় কৰিব নোৱাৰিব; কিয়নো ... তোমাৰ ত্ৰাণ আৰু উদ্ধাৰৰ অৰ্থে মই তোমাৰ লগত আছো" (যিৰিমিয়া ১৫ঃ২০)। ঈশ্বৰে তেওঁক কৈ আছে, "যিৰিমিয়া, যদি গোটেই দেশেই তোমাৰ বিৰুদ্ধে থিয় হয় তেতিয়াও তুমি চিন্তা নকৰিবা। কিয়নো মোৰ উপস্থিতি তোমাৰ লগত থাকিব। দৃঢ়ভাৱে বিশ্বাস কৰা যে মই তোমাৰ লগত আছো!"

ঈশ্বৰক প্ৰেম কৰা লোকবিলাকৰ বাবে ঈশ্বৰে যিচয়াক এটা বিশেষ প্ৰতিজ্ঞা কৰিছিল ঃ "ভয় নকৰিবা।" কিয়নো মই তোমাক মুক্ত কৰিলো, মই তোমাৰ নাম ধৰি তোমাক মাতিলো, তুমি মোৰেই। তুমি জলসমূহৰ মাজেদি গমণ কৰিলে মই তোমাৰ লগত থাকিম আৰু তুমি নদীবোৰৰ মাজেদি গ'লে সেইবোৰে তোমাক তল নিনিয়াব; আৰু জুইৰ মাজেদি চলিলে তুমি দগ্ধ নহ'বা, তাৰ শিখাই তোমাক নপুৰিব। কিয়নো মই তোমাৰ ঈশ্বৰ যিহোৱা ... মই তোমাক প্ৰেম কৰিলো ... ভয় নকৰিবা ঃ মই তোমাৰ সংগত আছো..." (যিচয়া ৪৩ঃ১-৫)।

ঈশ্বৰে কৈ আছে, "মোৰ উপস্থিতি তোমাৰ লগত থাকিলে, তুমি যিকোনো বানপানী বা জুইৰ মাজেদি গ'লেও ৰক্ষা পাবা, যদিও আপুনি ৰক্ষা পাবৰ উপায় নাই আপুনি আশীৰ্বাদ পাব আৰু ঈশ্বৰ আপোনাৰ পক্ষত থাকিব কিয়নো ঈশ্বৰ আপোনাৰ লগত আছে।"

এই পুৰণি নিয়মৰ শাস্ত্ৰপাঠবোৰ এনেয়ে লক্ষ্যহীন পত্ৰৰ দৰে নহয়। এইবোৰে আমাৰ জীৱনত ঈশ্বৰৰ উপস্থিতিক বিচাৰিবলৈ উৎসাহ যোগায়। ঈশ্বৰৰ উপস্থিতি অব্ৰাহাম, যিহোচুৱা, গিদিয়োন, যিৰিমিয়া আৰু সকলো ইস্ৰায়েল জাতিৰ মাজত থকাৰ বাবে ধন্যবাদ জনাওঁ। তথাপি আমাৰ প্ৰতিজনৰ বাবে ঈশ্বৰৰ উপস্থিতিয়ে আমাৰ জীৱনবিলাক চলোৱাত, দ্বাৰবোৰ মুকলি কৰাত, বাধাবোৰ গুচুওৱাত, হৃদয়বোৰক গলোৱাত আৰু আমাক ভয়হীন কৰাত এক শক্তিশালী সাক্ষ্যও আছে।

মই ইয়াক মোৰ জীৱনত একেবাৰে প্ৰমাণিত সত্য হিচাবে দেখিছো। আপুনি ক'ব পাৰে, "আপুনি এনেয়ে গৌৰৱ কৰি আছে!" নহয় প্ৰকৃততে মোৰ

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

### ২০২০ চনৰ ১৯ মাৰ্চৰ পৰা ২০২০ চনৰ ১৮ এপ্ৰিললৈ

### প্ৰশংসাৰ বিষয়সমূহ ঃ

**মাৰ্চ ১৯ ঃ** আমাৰ চেইণ্ট পৌলচ্‌ মেট্ৰিকুলেশ্বন স্কুলত ২৮ জানুৱাৰীত ক্ৰীড়া দিন পালন কৰা কাৰ্যসূচীত আমাৰ ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২০ ঃ** আমাৰ চেইণ্ট পৌলচ্‌ মেট্ৰিকুলেশ্বন স্কুলত ১ ফেব্ৰুৱাৰীত বাৰ্ষিক দিন পালন কাৰ্যসূচীত আমাৰ ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২১ ঃ** আমাৰ ছপাশালত ১৬ টা ভাষাত আমাৰ শুভবাৰ্তা ছপা কৰি মিশ্বন ফিল্ডত পঠোৱাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২২ ঃ** পৃথিৱীত জাগৰণৰ বাবে আত্মাৰ ১০০ জনীয়া প্ৰাৰ্থনা যুঁজাৰুসকলৰ পৰিচৰ্যাক ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২৩ ঃ** আমাৰ ৰাজ্যিক সহ পৰিচালকসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

**মাৰ্চ ২৪ ঃ** আমাৰ কেন্দ্ৰ মণ্ডলীত মহিলাসকলৰ সহভাগিতাক ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২৫ ঃ** আমাৰ বিৱেকৰ বেচিক যোগাযোগ পাঠ্যক্ৰম আৰু থিয়ল'জিকেল যোগাযোগ পাঠ্যক্ৰমৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

**মাৰ্চ ২৬ ঃ** আমাক পালক এচ, চাম ছেলভা ৰাজ আৰু তেওঁৰ দলটিক যাত্ৰাৰ সময়ত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২৭ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজৰ প্ৰভাৱশালী শিক্ষকসকলৰ সৈতে ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২৮ ঃ** ঈশ্বৰে আমাক ভাল ভাল কৰ্মচাৰীসকলৰ সৈতে আশীৰ্বাদ কৰিলে।

**মাৰ্চ ২৯ ঃ** আমাৰ কেন্দ্ৰ মণ্ডলীত ঈশ্বৰে আৰু অধিক প্ৰাৰ্থনা যুঁজাৰুসকলক যোগাইছে।

**মাৰ্চ ৩০ ঃ** আমাক প্ৰাৰ্থনাৰে আৰু আৰ্থিকভাৱে সহায় কৰা লোকসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

**এপ্ৰিল ১ ঃ** আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ যোৱা মাহৰ সকলো কাৰ্যকলাপবোৰত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

**এপ্ৰিল ২ ঃ** আমাৰ কেন্দ্ৰ মণ্ডলীত আৰু শাখা মণ্ডলীসমূহত আৰু অধিক নতুন আত্মাবিলাকক যোগদান কৰা হ'ল।

**এপ্ৰিল ৩ ঃ** আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ্গক ঈশ্বৰে সকলো মন্দতাৰ পৰা ৰক্ষা কৰি আছে।

### প্ৰাৰ্থনাৰ বিষয়সমূহ !

**এপ্ৰিল ৪ ঃ** এই মাহত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ সকলো আৰ্থিক সহায়বোৰ ঈশ্বৰে যোগাবলৈ প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ৫ ঃ** চৰকাৰী পৰীক্ষাসমূহত পৰীক্ষাত লিখিবলৈ যোৱা সকলো ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ৬ ঃ** ২০২০ বৰ্ষৰ ১ মে'ত হ'বলগীয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সভাৰ বাবে প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ৭ ঃ** চীন আৰু আন আন দেশত বিয়পা কৰণা ভাইৰাচ নাইকীয়া কৰিবলৈ সম্পূৰ্ণ হৃদয়েৰে প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ৮ ঃ** ২০২০ বৰ্ষৰ জুন মাহৰ ১৩ তাৰিখে নহিমিয়া বাইবেল কলেজৰ উপাধিকৰণ সভাৰ বাবে প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ৯ ঃ** আমাৰ নহিমিয়া বাইবেল কলেজৰ ২০২০-২০২১ শিক্ষাবৰ্ষৰ বাবে অধিক ছাত্ৰ-ছাত্ৰী পাবলৈ ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১০ ঃ** আমাৰ কেন্দ্ৰ মণ্ডলীত আৰু আমাৰ শাখা মণ্ডলীসমূহত আমাৰ পূণ্য শুক্ৰবাৰ আৰু পুনৰুত্থান উপাসনাৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰোহক।

**এপ্ৰিল ১১ ঃ** সকলো স্কুলৰ ছাত্ৰ-ছাত্ৰীবিলাকৰ বাবে প্ৰাৰ্থনা কৰোহক। যাতে ঈশ্বৰে তেওঁবিলাকক বিশেষ নিৰাপত্তা দান কৰিব।

**এপ্ৰিল ১২ ঃ** তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আমাৰ কেন্দ্ৰীয় মণ্ডলীত প্ৰতি দেওবাৰে আয়োজন কৰা ৭ টা উপাসনাৰ বাবে প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৩ ঃ** গোটেই পৃথিৱীত থকা কাৰাগাৰৰ বন্দীসকলৰ পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৪ ঃ** আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ কাৰ্যালয়ৰ আশে-পাশে থকা লোকবিলাকৰ পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৫ ঃ** আমাৰ উৰ্দু সহকাৰী সম্পাদক ভাই সুৰাজ কুমাৰ চন্দানীৰ সুস্বাস্থ্য আৰু তেওঁৰ পৰিয়ালবৰ্গৰ বাবে প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৬ ঃ** সকলো দেশৰ সীমা নিৰাপত্তা আৰু নিৰাপদ চৰকাৰৰ বাবে প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৭ ঃ** আমাৰ সকলো ভাৰতীয় নেতা, ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু সকলো চৰকাৰী বিষয়াসকলৰ বাবে প্ৰাৰ্থনা কৰক।

**এপ্ৰিল ১৮ ঃ** পৃথিৱীৰ সকলো ঠাইত শান্তি থাকিবৰ বাবে প্ৰাৰ্থনা কৰক।

স্বত্বেও ঈশ্বৰৰ উপস্থিতি মোৰ সংগত আছে!

আমি যেতিয়া দহ বছৰৰ আগতেই আমাৰ মণ্ডলী স্থাপন কৰিছিলো আমি যিমান কাৰ্য কৰিলো সেই সকলোতেই খ্ৰীষ্টৰ উপস্থিতি দেখা গৈছিল। মোৰ মনত আছে এবাৰ মই উপাসনাৰ বাবে এটা থিয়েটাৰ বিচাৰি বিখ্যাত ব্ৰডৱে প্ৰযোজকৰ ওচৰলৈ গৈছিলো। সেই লোকজনৰ সম্পাদক আৰু কৰ্মচাৰীবোৰে মোক অপমান কৰিছিল; তেওঁবিলাকৰ মুখৰ বাক্য আৰু মনোভাববোৰে মোক একেবাৰে নীচ কৰিছিল। মই সেই মানুহজনক দেখা কৰিবলৈ প্ৰায় নোৱাৰা অৱস্থা হৈ গৈছিলো। আনকি মই ভাবিছিলো তেওঁলোকে কিজানিবা মোক গতা মাৰি বাহিৰলৈ উলিয়াই দিব। কিন্তু সেই সময়তে প্ৰযোজকজন তেওঁৰ কাৰ্যালয়ৰ পৰা বাহিৰলৈ ওলাই আহিল আৰু মোক দেখাৰ লগে লগেই মোক ভিতৰলৈ মাতি নিলে।

পৰৱৰ্তী সময়ত প্ৰায় কেইবা সপ্তাহ ধৰি আমাৰ দেখাদেখি হ'ল। কেতিয়াবা তেওঁ মোৰ ফালে চাই ক'ব, "মই নাজানো, মই কিয় আপোনাৰ সৈতে মোৰ সময় খৰচ কৰি আছো। মোৰ হাতত সময় একেবাৰেই নাই।" কিন্তু মই তেওঁৰ কাৰ্যালয়লৈ যাওঁ, তেওঁৰ সম্পাদকজনে মোক সকলো লোকৰ আগতে, থিয় কৰাই মোক ক'ব, "ৰেভাঃ পোনেই ভিতৰলৈ সোমাই যাওক, তেওঁ আপোনাৰ বাবে ৰৈ আছে!"

অৱশেষত এই মানুহজনে তেওঁৰ ফ্লেগশ্বিপ থিয়েটাৰখন আমাক উপাসনা কৰিবৰ বাবে বেচি দিলে। আনকি যেতিয়া তেওঁ বিক্ৰী কৰা দলিলত চহী মাৰি আছিল তেতিয়াও তেওঁ মোক কৈছিল, "মই নাজানো মই ইয়াক কিয় কৰি আছো!" তেওঁৰ সেই গৃহটি আমালৈ বিক্ৰী কৰি দিবলৈ ঈশ্বৰৰ উপস্থিতিয়ে কৰালে।

মই দেখিলো ঈশ্বৰে আন মানুহৰো হৃদয় সলনি কৰি দিয়ে। আমাৰ কাষৰ গৃহৰ মালিকে তেওঁৰ ঘৰটো আমাক বিক্ৰী কৰিবলৈ অস্বীকাৰ কৰিছিল। কিন্তু ক্ৰমে ক্ৰমে তেওঁ মোৰ এজন বন্ধুৰ দৰে হৈ পৰিল আৰু অৱশেষত তেওঁ সেই ঘৰটো আমাক বেচি দিলে তেওঁ মোক সদায় এইদৰে কৈ আছিল, "ওপৰত কোনোবা এজনা আছে যিয়ে আপোনাৰ বাবে কাৰ্য কৰি আছে!"

ঈশ্বৰৰ উপস্থিতিত শক্তি আছে আৰু প্ৰত্যেক খ্ৰীষ্টিয়ান লোকে এইবুলি সাক্ষ্য দিব পাৰে ঃ "মোৰ লগত থকা ঈশ্বৰৰ উপস্থিতিয়ে মহান কাৰ্য কৰিছে।"

**আমাৰ জীৱনত ঈশ্বৰৰ উপস্থিতিক পাবলৈ আৰু বজায় ৰাখিবলৈ এটা ব্যৱস্থা সংলগ্ন হৈ আছে।**

আমাৰ জীৱনত থকা ঈশ্বৰৰ উপস্থিতিক লৈ তেওঁ এটা ব্যৱস্থা সংলগ্ন কৰিছে। এই ব্যৱস্থা আমি ২ বংশাৱলী ১৫ অধ্যায়ত পাওঁ। ইয়াৰ আগৰ অধ্যায়ত আচা ৰজাই যিহূদাৰ সৈনিকবিলাকক চলাই নি হাজাৰ হাজাৰ কুচীয়া সৈন্য-সামন্তক পৰাজয় কৰি জয়যুক্ত কৰালে। কিন্তু তথাপিও আচা ৰজাই ঈশ্বৰৰ উপস্থিতিয়েহে এইদৰে শত্ৰুবোৰক পৰাজয় কৰালে বুলি সাক্ষ্য দিছিল।

"তেতিয়া আচাই তেওঁৰ ঈশ্বৰ যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক'লে, "হে যিহোৱা, তুমি সহায় কৰিবলৈ গ'লে, তোমাৰ আগত বলী আৰু নিৰ্বলীৰ মাজত একো ভেদ নাই। হে আমাৰ ঈশ্বৰ যিহোৱা, আমাক সহায় কৰা; কিয়নো আমি তোমাৰ ওপৰত ভাৰসা ৰাখি, তোমাৰেই নামে এই লোকাৰণ্যৰ বিৰুদ্ধে আহিলো ... আচা আৰু যিহূদাৰ আগত কুচীয়াবিলাকক ঘটোৱাত...' (২ বংশাৱলী ১৪ঃ১১-১২)।

আচা আৰু তেওঁৰ সৈন্য-সামন্তই যিৰূচালেমলৈ বিজয় যাত্ৰা কৰি ঘূৰি গৈছিল, অজৰিয়া নামৰ ভাববাদী এজনে নগৰৰ দুৱাৰত লগ ধৰি ঈশ্বৰৰ পৰা অহা এই বাৰ্তা দিলে ঃ "হে আচা, ... তোমালোকে মোৰ কথা শুনা, তোমালোকে যেতিয়ালৈকে যিহোৱাৰ লগত থাকা। তেতিয়ালৈকে তেঁৱো তোমালোকৰ লগত থাকিব; আৰু যদি তোমালোকে তেওঁক বিচাৰা, তেনেহ'লে তেঁৱো তোমালোকক ত্যাগ কৰিব। ইস্ৰায়েলে কোনো কোনো সময়ত সত্যময় ঈশ্বৰবিহীন, শিক্ষা দিওঁতা পুৰোহিত বিহীন আৰু ব্যৱস্থা বিহীন আছিল। কিন্তু সংকটৰ সময়ত যেতিয়া তেওঁবিলাকে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱালৈ ঘূৰি তেওঁক বিচাৰ কৰিছিল, তেতিয়া তেওঁ তেওঁবিলাকক নিজকে পাবলৈ দিছিল" (২ বংশাৱলী ১৫ঃ২-৪)।

আপোনাৰ জীৱনত ঈশ্বৰৰ উপস্থিতিক বজায় ৰাখিবলৈ ৰহস্য আছে। খালী বিন্দু, বাধাৰ সৈতে নাথাকে ঃ "আচা, তুমি এই বিজয় কিদৰে পালা তাক কেতিয়াও পাহৰি নাযাবা। যেতিয়া তুমি সংকটত আছিলা মোলৈ সম্পূৰ্ণ ঘূৰি, তোমাৰ সম্পূৰ্ণ হৃদয়েৰে আটাহ পাৰিছিলা আৰু মই মোৰ উপস্থিতিক তোমালৈ পঠালো। মোৰ উপস্থিতিয়ে তোমাৰ শত্ৰুবোৰক খেদালে!"

এতিয়াও অজৰিয়াই আচাক কৈ আছে, "তুমি ক্ষমতালৈ অহাৰ আগেয়ে ৰাজ্যখন কেনে আছিল তোমাৰ মনত আছেনে? সকলোবোৰ শৃংখলাৰ বাহিৰত আছিল, ব্যৱস্থা নাছিল, কোনো পথ পৰিদৰ্শক নাছিল আৰু ধাৰ্মিক শিক্ষা নাছিল। প্ৰত্যেকেই নিজ নিজ ব্যৱস্থাত চলিছিল আৰু নিজ ইচ্ছামতে সকলো কাৰ্য কৰিছিল!"

আজিৰ দিনত বহুত খ্ৰীষ্টিয়ানৰ ঘৰত ই এটা সঠিক উদাহৰণ হ'ব। সকলো শৃংখলাৰ বাহিৰত কোনো অধিকাৰ আৰু শান্তি বা বিশ্ৰাম নোহোৱাকৈ গৈ আছে। তেওঁ বা তাই যিহকে ভাল পাই তাকেই কৰিছে। এনে বহুত পৰিয়াল দুখত আৰু কামত নহা খিচিৰীৰ দৰে হৈছে। কিন্তু এনেধৰণৰ খ্ৰীষ্টিয়ান হ'ব নালাগে। কোনো এজন খ্ৰীষ্টিয়ান লোকে কৰ্মহীন হৈ থাকিব নালাগে। ঈশ্বৰৰ প্ৰতিজ্ঞাবোৰ কেতিয়াও সলনি নহয়। তেওঁৰ বাক্যই এইদৰে প্ৰতিজ্ঞা কৰি কয়, "তোমাৰ জীৱনৰ গোটেই কালত যেতিয়ালৈকে তুমি মোক একেৰাহে বিচাৰিবা মই তোমাৰ সংগত থাকিম। যেতিয়াই তুমি মোক মাতিবা তুমি সদায় মোক পাবা!"

এইটো বৰ জটিল থিয়'ল'জি নহয়। যদি স্বামী আৰু ভাৰ্যাই বা এজন হ'লেও ঈশ্বৰক বিচাৰিলে তেওঁলোকৰ ঘৰত কেতিয়াও সমস্যা অহাৰ সম্ভাৱনা নাথাকে বা "ব্যৱস্থা বিহীন" হৈ নাথাকিব। যিকোনোৱেও ঈশ্বৰৰ লাগি থকা উপস্থিতি পাব পাৰে, যদিহে তেওঁবিলাকে ইয়াৰ বাবে তেওঁক বিচাৰে।

"... তেঁৱো তোমালোকক নিজকে পাবলৈ দিব..." (২ বংশাৱলী ১৫ঃ২)। "পাবলৈ দিব" শব্দটি ইয়াত ইব্ৰী শব্দ হৈছে "মাত্চা", ইয়াৰ অৰ্থ হৈছে "সমৰ্থ কৰিবলৈ আৰু আশীৰ্বাদ কৰিবলৈ তেওঁৰ উপস্থিতি আহি আছে।" চমুকৈ এই পাঠটিয়ে আমাক কয় যে "তোমাৰ সম্পূৰ্ণ হৃদয়েৰে ঈশ্বৰক বিচাৰা আৰু তেওঁ নিজ উপস্থিতিৰ সৈতে তোমাৰ ওচৰলৈ আহিব। অৱশ্যে তেওঁৰ উপস্থিতি এক পৰম সৰ্বশক্তিমান হ'ব যিয়ে আপোনাৰ জীৱনৰ পৰা উদ্ভৱ হৈ ওলাব!"

শাস্ত্ৰৰ মতে, আমাৰ আচল উদ্দেশ্য হৈছে একেৰাহে ঈশ্বৰক বিচাৰি থাকা আৰু আমাৰ সৈতে যে তেওঁৰ উপস্থিতি আছে তাক নিশ্চিত কৰা।

ঈশ্বৰে তেওঁৰ অনুগ্ৰহৰ নিয়ম প্ৰত্যেক বিশ্বাসীৰ লগত স্থাপন কৰে। এই নিয়ম প্ৰতিজ্ঞাবোৰত এইদৰে ৰূপ লৈছে যে, "ঈশ্বৰে খ্ৰীষ্টৰ ওপৰত আমাৰ সকলো অপৰাধবোৰ জাপি দিলে। যীচু আমাৰ বাবে এক অভিশাপ হ'ল।" "তেওঁ আমাক কেতিয়াও নেৰিব আৰু পৰিত্যাগ নকৰিব।"

তথাপি যিবিলাকে তেওঁলোকৰ সম্পূৰ্ণ হৃদয়েৰে ঈশ্বৰক বিচাৰিবলৈ দৃঢ় সংকল্প কৰে ঈশ্বৰে তেওঁলোকলৈ বিশেষ প্ৰতিজ্ঞাবোৰ স্থাপন কৰে। সেই প্ৰতিজ্ঞাবোৰৰ ভিতৰত এক প্ৰতিজ্ঞা হৈছে তেওঁৰ উপস্থিতিৰ নিয়ম। যিকি নহওক এই নিয়ম কঠোৰভাৱে বাধ্যতামূলক কৰা হৈছে। শাস্ত্ৰই স্পষ্ট কৰি দিয়ে যে এই নিয়মৰ শাসনত থকাৰ দ্বাৰাই আমাৰ জীৱনত ঈশ্বৰৰ উপস্থিতিৰ আচৰিত আশীৰ্বাদবোৰ উপভোগ কৰিব পাৰিম। ইয়ে কেৱল পৰিত্ৰাণৰ বিষয়বোৰক আগুৰি নলয়। ঈশ্বৰক বিচৰা এনে লোকবিলাকৰ বিষয়ে কৈছে যে তেওঁ আচৰিত উপস্থিতি আমাৰ ওপৰত এনেভাৱে বাকী দিয়া হ'ব যাক সকলোৰ দ্বাৰাই জনা হ'ব আৰু দেখা যাব।

ঈশ্বৰে ইস্ৰায়েলবিলাকৰ মহা পুৰুহিত এলীলৈ এজন নাম নথকা ভাববাদীৰ যোগেদি তেওঁৰ উপস্থিতিৰ নিয়মক প্ৰকাশ কৰিলে। সেই সময়ত এলী ঈশ্বৰৰ দৃষ্টিত পৰি গৈছিল। ঈশ্বৰে তেওঁৰ সৈতে

কথাকৈ আছিল আৰু তেওঁৰ বিৰুদ্ধে পাপ কৰিবলৈ সতৰ্ক কৰি দিছিল। কিন্তু এলীয়ে ঈশ্বৰৰ সকলো বাক্যক হেয়জ্ঞান কৰিছিল। এতিয়া সেই নাম নথকা ভাববাদীজনে এইদৰে কৈছিল, "... ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই কৈছে, তোমাৰ বংশই আৰু তোমাৰ পিতৃৰ বংশই মোৰ আগত সদায় অহা যোৱা কৰিব, এই বুলি মই নিশ্চয়ে কৈছিলো; কিন্তু এতিয়া যিহোৱাই কৈছে, সেয়ে মোৰ পৰা দূৰ হওক; কিয়নো মোক মৰ্যদা কৰোতাবিলাকক মই মৰ্যদা কৰিম; কিন্তু মোক তুচ্ছ কৰোতাবিলাকক হেয়জ্ঞান কৰা হ'ব" (১ চামূৱেল ২ঃ৩০)।

"হেয়জ্ঞান কৰা হ'ব" এই খণ্ড বাক্যটিয়ে ঈশ্বৰৰ উপস্থিতিক উঠাই লোৱা বুজায়। ইয়াৰ অৰ্থ এয়ে নহয় যে এই ব্যক্তিজন অভিশপ্ত হ'ব বৰং তেওঁ নিজ মাংসৰ শক্তিতহে তেওঁ চলিব লাগিব। ঈশ্বৰে এলীক কৈ আছে, "মই তোমাৰ পক্ষত থাকিবলৈ মই তোমাৰ ঘৰখনক আশীৰ্বাদ কৰিবলৈ বিচাৰিছিলো। কিন্তু তুমি মোক ঘৃণা কৰিলা, পাপৰ প্ৰতিতুমি নৰম হ'লা আৰু মোক আঁতৰাবলৈ তুমি মাংসৰ অভিলাষ পূৰ হ'বলৈ মোক অনুমতি দিলা। এতিয়া মই মোৰ উপস্থিতিক তোমাৰ পৰা আঁতৰাই নিম।"

বহুত মানুহে এক মহান, বিশ্বাসৰ প্ৰাথমিক বিস্ফোৰণলৈ আহে। কিন্তু সময় অতিবাহিত হোৱাৰ লগে লগে তেওঁলোকৰ উৎসাহ, আগ্ৰহ একেবাৰে পাতল হৈ যায় আৰু তেওঁবিলাকে ঈশ্বৰক অৱজ্ঞা কৰিবলৈ ধৰে। তেওঁবিলাকে তেওঁৰ আজ্ঞাবোৰক হেয়জ্ঞান আৰু পুৰণি পাপময় পথবোৰলৈ ঘূৰি যায়। তথাপিও ঈশ্বৰৰ উপস্থিতি তেওঁলোকত আছে বুলি বিশ্বাস কৰে। নহয় ই এক ডাঙৰ ফাকি, এক ভ্ৰমহে মাথোন! বাইবেলে ইয়াক স্পষ্ট কৰি কয় যে যদি তুমি তেওঁক হেয়জ্ঞান কৰা, তোমাকো হেয়জ্ঞান কৰা হ'ব!

ঈশ্বৰৰ প্ৰতিজ্ঞা কেতিয়াও বিফল নহয়। কিন্তু এই উপস্থিতিৰ নিয়ম সম্পূৰ্ণ বাধ্যতামূলক। ইয়াত আমাৰ সহযোগতকৈ আৰু অধিক প্ৰয়োজন আছে। অৱশ্যে, ঈশ্বৰে আমাক প্ৰেম কৰাৰ পৰা কেতিয়াও বন্ধ নকৰে। কিন্তু যদি আমি পাপত থাকো তেওঁৰ উপস্থিতি আমাৰ লগত নাথাকিব আমাৰ জীৱনবিলাক তেওঁৰ শক্তিশালী উপস্থিতিৰ মন্ত্ৰ হৈ আৰু নাথাকিব। আমি কোনো শক্তি বা সহায়ৰ অবিহনে চেষ্টাত লাগি থাকিম, ভুল কৰি থাকিম, মাংসৰ অভিলাষৰ মতে জীয়াই থাকিম।

**কেৱল যেতিয়া আমাৰ ওপৰত ঈশ্বৰৰ উপস্থিতি থাকে তেতিয়াহে আমি দেখা পাব পাৰিম আৰু বুজি পাব পাৰিম।**

যেতিয়া ইস্ৰায়েলবিলাক অৰণ্যত আছিল ঈশ্বৰে তেওঁৰ উপস্থিতিক মেঘৰ মাধ্যমেৰে তেওঁবিলাকক দেখুৱালে। এই মেঘেই ঈশ্বৰৰ লোকবিলাকৰ সৈতে থাকিবলৈ কৰা তেওঁৰ প্ৰতিজ্ঞা এক শাৰীৰিক আৰ্বিভাৱ। এই মেঘে আহি আবাস তম্বুক দিনে নিশাই ঢাকি ৰাখিছিল। এই মেঘে তেওঁবিলাকৰ প্ৰতিটো প্ৰতিশ্ৰুতিৰ সহায় হিচাপে কাৰ্য কৰিছিল। যেতিয়া মেঘ আগবাঢ়িছিল তেতিয়া তেওঁবিলাকেও আগবাঢ়িছিল আৰু যেতিয়া মেঘ ৰৈ গৈছিল তেতিয়া তেওঁবিলাকেও ৰৈ গৈছিল। এই তেওঁবিলাকে আগবাঢ়ি যাবৰ বাবে নিৰ্দেশ পাবলৈ বা ভৱিষ্যৎ কি কৰিব লাগে তাক জানিবলৈ কোনো আলোচনাত বহাৰ প্ৰয়োজন হোৱা নাছিল। তেওঁবিলাকে ঈশ্বৰৰ উপস্থিতি দৃশ্যমান মেঘতেই ভাৰসা ৰাখিছিল।

আজিও তেওঁৰ উপস্থিতি এই একেই মেঘে আপোনাৰ গুপুত প্ৰাৰ্থনাৰ সাক্ষ্যৰ ওপৰতো আছে। ইয়াৰ শান্তিত আপোনাক ৰাখিবলৈ প্ৰতিদিনেই এই মেঘে অপেক্ষা কৰি থাকে। এই মেঘে আপোনাক সহায় কৰি চলাব, আপোনাক শক্তি যোগাব আৰু আপোনাক শান্তি দিব। এই মেঘে আপোনাৰ গৃহত, কৰ্মস্থানত আৰু আপোনাৰ সম্পৰ্ক সকলোৰ বাবে বিতংকৈ আপোনাক নিৰ্দেশ দিব।

আপোনাৰ গোপন কক্ষৰ যিকোনো ঠাই হ'ব পাৰে - গাধোৱা ঘৰ, বাছত, আপোনাৰ কৰ্মস্থান আৰু কৰ্ম বিনিয়োগ কৰাৰ সময়ত। আমি সকলো কাৰ্য এফালে ৰাখি কওঁক, "হে প্ৰভু, মোৰ হাতত এতিয়া কেৱল আধাঘণ্টাহে আছে যীচু, মই তোমাক প্ৰেম কৰো আৰু আৰাধনা কৰো। আৰু তোমাৰ লগত মোৰ এয়াই কথাৰ সময়!"

এটা উপযুক্ত প্ৰাৰ্থনাশীল জীৱন আৰম্ভ কৰি ঈশ্বৰৰ সৈতে শেষ কৰাই এক আচৰিত কাৰ্য হয়। ঈশ্বৰে প্ৰতিজ্ঞা কৰি কয় যে যেতিয়া আপুনি প্ৰাৰ্থনা কৰা আৰু বিচৰা দাসত পৰিণত হ'ব তেতিয়া আপোনাৰ জীৱনত তেওঁৰ উপস্থিতিয়ে উৎপাদন কৰিব - দুৱাৰ বন্ধ আৰু খোলা হ'ব আৰু আপোনাৰ চাৰিওফালে তেওঁৰ স্বৰ্গীয় হুকুমে কাৰ্য কৰিব। আৰু আনকি ইয়াতকৈয়ো মহান কাৰ্যবোৰ ঘটিব। ঈশ্বৰৰ উপস্থিতিয়ে তেওঁৰ মহিমাক প্ৰকাশিতলৈ আপোনাক চলাই লৈ যাব।

ঈশ্বৰৰ উপস্থিতি আৰু তেওঁৰ মহিমাৰ মাজত এক পাৰ্থক্য আছে। বহুত খ্ৰীষ্টিয়ানে তেওঁৰ উপস্থিতিক তেওঁবিলাকৰ জীৱনত তেওঁৰ মহান কাৰ্যবোৰক জানে। কিন্তু কিছুমানেহে তেওঁৰ মহিমাৰ বিষয়ে জানে। যাত্ৰাপুস্তকত এই পাৰ্থক্যৰ আভাস দিয়া আছেঃ "পাছে মেঘডোখৰ সাক্ষাৎ কৰা তম্বুটো ঢাকি ধৰিলে আৰু যিহোৱাৰ প্ৰতাপে আবাস পৰিপূৰ্ণ কৰিলে" (যাত্ৰাপুস্তক ৪০ঃ৩৪)।

পাঁচনি পৌলে লিখে যে সকলো বিশ্বাসীৰ শৰীৰ ঈশ্বৰৰ আবাস তম্বু হয়। "তোমালোক যে ঈশ্বৰৰ মন্দিৰ, আৰু ঈশ্বৰৰ আত্মা তোমালোকত নিবাস কৰে, ইয়াক তোমালোকে নাজানা নে?" (১ কৰিন্থীয়া ৩ঃ১৬)। যিদৰে ইস্ৰায়েলবিলাক ঈশ্বৰৰ উপস্থিতি মেঘৰ তলত আছিল সেই একেদৰে আমিও ঈশ্বৰৰ অনুগ্ৰহৰ অধীনত একেৰাহে আছো। তথাপি ঈশ্বৰৰ উপস্থিতি আৰু তেওঁৰ মহিমাৰ মাজৰ পাৰ্থক্যলৈ চাই আমি কি পালো?

ঈশ্বৰে মোচিক তেওঁৰ মহিমাৰ এক দৰ্শন দিয়ে। মোচিয়ে ঈশ্বৰৰ উপস্থিতি পাবলৈ একেৰাহে নিবেদন কৰি আছিল ঃ "... মই তোমাক জানো..." (যাত্ৰাপুস্তক ৩৩ঃ১৩-১৪)। আৰু ঈশ্বৰে তেওঁক উত্তৰ দিলে, "... মই স্বয়ং তোমাৰ লগত যাম আৰু তোমাক বিশ্ৰাম দিম।"

বহুতো বিশ্বাসীৰ বাবে মোচিৰ অনুৰোধটো যথেষ্ট হ'ব। আমাৰ সকলোৱেই ঈশ্বৰৰ উপস্থিতিত

## পৃথিৱী জাগৰণৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আহবান!

-----------

**তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাবিলাকত, আন আন মণ্ডলীবিলাকত আৰু আন আন অনুষ্ঠানবিলাকত জাগৰণৰ বাবে পৃথিৱীজোৰা বিশেষ প্ৰাৰ্থনাৰ দিন!!**

আমি নম্ৰ মনেৰে পৃথিৱীৰ সকলো বন্ধুসকলক অনুৰোধ জনাওঁ যে ২০২০ বৰ্ষৰ ১ মে' দিনটোক তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ মাজত, আন আন মণ্ডলীৰ মাজত আৰু আন আন অনুষ্ঠানবিলাকৰ মাজত জাগৰণৰ বাবে এক বিশেষ প্ৰাৰ্থনাৰ দিন হিচাপে পৃথক কৰি, সমৰ্পণ কৰি পালন কৰক। ভাৰতৰ চেন্নাই চহৰত থকা আমাৰ কেন্দ্ৰ মণ্ডলীত ইয়াৰ বাবে জমা হ'বলৈ আয়োজন কৰা হৈছে। চেন্নাই আৰু ভাৰতৰ বাহিৰত থকা আমাৰ সকলো বন্ধুসকলক অনুৰোধ কৰো, তেওঁলোকৰ নিজ নিজ ঠাইত একে সময়ত গোট খাই প্ৰাৰ্থনা কৰে যেন। প্ৰাৰ্থনাৰ অনুৰোধ বিষয়সমূহক পাছত পঠোৱা হ'ব। ভাৰতৰ বাবে তথা পৃথিৱীৰ আন আন দেশবিলাকৰ বাবে এইটোৱেই এটা সঠিক আৰু উপযুক্ত সময়।

প্ৰাৰ্থনা এনে এটা শক্তি হয়, যিয়ে পৃথিৱীক চলাব পাৰে!

পালক, এচ, চাম ছেলভা ৰাজ,
তেওঁৰ আহবানৰ প্ৰতিধ্বনি।

আমাক চলাবলৈ, সহায় কৰিবলৈ, শক্তি যোগাবলৈ আৰু আমাক অনুগ্ৰহ যোগাবলৈ বিচাৰো। এজন বিশ্বাসীয়ে ইয়াতকৈ অধিক আৰু কি বিচাৰিব? তথাপি ঈশ্বৰৰ উপস্থিতিৰ নিশ্চয়তা মোচিৰ বাবে যথেষ্ট নাছিল। ইয়াতকৈয়ো আৰু অধিক আছিল বুলি মোচিয়ে জানিছিল আৰু তেওঁ আটাহ পাৰি ক'লে "... তুমি মোক তোমাৰ প্ৰতাপ দেখিবলৈ দিয়া" (যাত্ৰাপুস্তক ৩৩:১৮)।

ঈশ্বৰে মোচিক তেওঁৰ প্ৰতাপ দেখুৱালে। কিন্তু ঈশ্বৰে তেওঁৰ উপস্থিতিক কোনো উজ্জ্বল মেঘত স্পষ্টকৈ নেদেখুৱালে নাইবা কোনো ভূমি কপি যোৱা শক্তিত নেদেখুৱালে। নহয়, ঈশ্বৰে তেওঁৰ মহিমাক তেওঁৰ প্ৰকৃতিৰ সাধাৰণ পৰিভ্ৰমণত দেখুৱালে ঃ "যিহোৱাই তেওঁৰ আগেদি গমন কৰি ইয়াকে ঘোষণা কৰিলে, যিহোৱা, যিহোৱাই কৃপা আৰু দয়াৰে পৰিপূৰ্ণ ঈশ্বৰ, ক্ৰোধত ধীৰ, দয়া আৰু সত্যতাত মহান, হাজাৰ হাজাৰ পুৰুষলৈকে দয়া কৰোঁতা; অপৰাধ, আজ্ঞালংঘন আৰু পাপ ক্ষমা কৰোঁতা..." (যাত্ৰাপুস্তক ৩৪:৬-৭)। ঈশ্বৰৰ মহিমা তেওঁৰ দয়া, কৃপা আৰু সহানুভূতিৰ প্ৰকাশ আছিল।

মই শুনিছো বহু খ্ৰীষ্টিয়ানে এইদৰে কয়, "অহ্ যোৱা নিশা আমাৰ উপাসনাত ঈশ্বৰৰ মহিমা নামি আহিছিল! কিযে আচৰিত ধৰণৰ গীত প্ৰশংসা হৈছিল আৰু মানুহবিলাক আত্মাৰে পৰিপূৰ্ণ হৈছিল।" কিন্তু ঈশ্বৰৰ মহিমাৰ আৱিৰ্ভাৱৰ পৰিণাম এইদৰে নহয়। ইয়াত মানুহৰ আৱেগিকৰ বাহিৰে ঈশ্বৰৰ সৈতে একো কৰিবলগীয়া নাই। তেওঁ যে কোন হয় এই বিষয়টো ইয়াত প্ৰকাশ নকৰে।

কিছুমানে এইদৰে তৰ্ক কৰে, "কিন্তু ৰূপান্তৰ হোৱা পৰ্বতত শিষ্যবিলাকৰ অভিজ্ঞতাক আপুনি কি কয়? এয়ে ঈশ্বৰৰ মহিমাৰ আৱিৰ্ভাৱ আছিলনে? মোচি আৰু এলিয়াৰ মুখৰ আকৃতি অতিশক্তিৰ পোহৰ হৈছিল।"

কিন্তু ঈশ্বৰৰ মহিমা মোচি বা এলিয়াত নাছিল বা দৰ্শনীয় পোহৰতো নাছিল। বৰং যীচুতহে তেওঁৰ মহিমা আছিল ঃ "... তেওঁৰ মুখ সূৰ্যৰ দৰে দীপ্তিমান আৰু তেওঁৰ বস্ত্ৰ পোহৰৰ নিচিনা শুক্ল হ'ল .. চোৱা এডোখৰ উজ্জ্বল মেঘে তেওঁলোকক ছাঁ কৰি ধৰিলে; আৰু চোৱা, মেঘৰ পৰা এই বাণী হ'ল, বোলে এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট, এওঁৰ কথা শুনা" (মথি ১৭:২-৫)।

ঈশ্বৰে কৈ আছে, "ইয়াত খ্ৰীষ্টত মোৰ মহিমা ব্যক্তিৰূপে প্ৰকাশ কৰিছে!" বাস্তৱিকতে ঈশ্বৰে মোচিলৈ কোৱা কৰুণাময়, দয়ালু, ধৈৰ্য, ধাৰ্মিকতা আৰু সত্যত প্ৰচুৰ, হাজাৰ হাজাৰ লোকলৈ দয়া ৰাখোতা, অপৰাধ ক্ষমা কৰে আৰু পাপবোৰক অতিক্ৰম কৰা, এই সকলো যীচু খ্ৰীষ্টত পৰিপূৰ্ণ হৈছে। এতিয়াও যীচুৱে কৈ আছে, "মোৰ মহিমাৰ জীৱিত ছবিক চোৱা, এই সকলোবোৰ মোৰ পুত্ৰত শাৰীৰিকভাৱে প্ৰকাশিত হ'ল।" কিছুমান খ্ৰীষ্টিয়ানে এনেদৰে কোৱা মই শুনিছো; "যদি ঈশ্বৰে নৰকৰ ভয়ৰ এটা দৰ্শন মোক দিয়া হ'লে, মই কেতিয়াও তেওঁক অস্বীকাৰ নকৰিলোহেঁতেন। মই যীচুৰ বাবে সদায় জীয়াই থাকিলোহেতেন!" নহয় এনে ধৰণৰ দৰ্শনে কাকো পৱিত্ৰ কৰি নাৰাখে। কেৱল যীচুৰ মহিমা, অনুগ্ৰহ আৰু দয়াই আমাক পৱিত্ৰ কৰি ৰাখে। পাছত তেওঁ প্ৰতিজ্ঞা কৰি ক'লে যে, তেওঁ তেওঁৰ জীৱনক খ্ৰীষ্টলৈ সমৰ্পিত কৰিলে। কিন্তু কিছু সপ্তাহমানৰ পাছত তেওঁৰ দৰ্শনৰ মৃত অৱস্থা হ'ল আৰু তেওঁ তেওঁৰ পাপময় পথত ঘুৰি গ'ল।

ঈশ্বৰে আমাৰ চকু মেলি দিব বিচাৰে "... পৱিত্ৰ লোকবিলাকৰ মাজত তেওঁৰ উত্তৰাধিকাৰৰ প্ৰতাপ ধন.." (ইফিচীয়া ১:১৮)। তেওঁ কৈছে, "মই মোচিলৈ প্ৰকাশ কৰা সকলো মহিমা মোৰ পুত্ৰত শাৰীৰিকভাৱে ৰূপান্তৰিত হ'ল। আৰু এতিয়া মই তেওঁক তোমাৰ উত্তৰাধিকাৰৰ দৰে দিছো। আৰু তেওঁক তেওঁৰ সকলো মহিমাত জনাৰ তোমাৰ অধিকাৰ আছে। "কিয়নো তেওঁত ঈশ্বৰত্বৰ সকলো সম্পূৰ্ণতা শাৰীৰিকৰূপে নিবাস কৰে" (কলচীয়া ২:৯)।

মোচিয়ে কিয় ইমান গুৰুত্ব দি ঈশ্বৰৰ মহিমাৰ দৰ্শনক বিচাৰি আছিল? মই বিশ্বাস কৰো, এই পদটিত ইয়াৰ কাৰণ পোৱা যাব ঃ "সেই ঠাইত মই ইস্ৰায়েলৰ সন্তানবিলাকে সৈতে সাক্ষাৎ কৰিম, তাতে মোৰ পাপৰ দ্বাৰাই সেই পৱিত্ৰীকৃত হ'ব" (যাত্ৰাপুস্তক ২৯:৪৩)। ইয়াত "পৱিত্ৰকৃত" শব্দটোৱে "পৰিস্কাৰ কৰা"ক বুজায় আন বাক্যত ক'বলৈ গ'লে ঈশ্বৰে কৈছে ঃ "মোচি, তুমি আৰু মানুহবিলাকে মোক আৰাধনা কৰাৰ বাবে, মই তোমাক দৰ্শন দিম আৰু মোৰ উপস্থিতিক দিম আৰু যেতিয়া মই মোৰ মহিমাক তোমালৈ প্ৰকাশ কৰিম, সেয়ে তোমাক পৰিস্কাৰ কৰিব!"

গোটেই শাস্ত্ৰপাঠৰ মাজত এইটোৱেই আটাইতকৈ শক্তিশালী পদ। এই পদে পাপৰ পৰা উদ্ধাৰ পাবলৈ চেষ্টা কৰা সকলো লোকলৈ মুক্তি পাবলৈ আৰু শুচি হ'বলৈ ইচ্ছা কৰা লোকলৈ দিয়ে। ঈশ্বৰে প্ৰতিজ্ঞা কৰি কয়, "মোৰ মহিমা প্ৰকাশ কৰাৰ দ্বাৰাই তোমাৰ মন্দিৰ পৰিস্কাৰ কৰা হ'ব। মোৰ পুত্ৰ যীচু খ্ৰীষ্টত এতিয়াই এই দৰ্শন তোমালৈ যথেষ্ট কৰা হৈছে!"

খ্ৰীষ্টৰ এই দৰ্শন আমি ক'ত পাব পাৰো? আমি যেতিয়া শাস্ত্ৰপাঠলৈ আহো তেতিয়া আমি ইয়াক পাওঁ! পৌলে কৈছে যে যেতিয়া আমি যীচুৰ বৃদ্ধি হোৱা ঈশ্বৰৰ বাক্যৰ প্ৰতিবিম্বক আমাক ওপৰত পৰিবলৈ অনুমতি দিওঁ আমি তেতিয়া মহিমাৰ পৰা মহিমালৈ পৰিৱৰ্তন হ'ম ঃ "আৰু আমি সকলোৱে, ওৰণি নোলোৱা মুখেৰে দৰ্পণত দেখাৰ দৰে প্ৰভুৰ গৌৰৱ চাওঁতে চাওঁতে, সেই গৌৰৱৰ পৰা গৌৰৱ পাই, আত্মাৰূপ প্ৰভুৰ দ্বাৰাই পৰিণত হোৱাৰ দৰে পৰিণত হৈ, সেই একে মুৰ্তি হ'ব লাগিছো" (২ কৰিন্থীয়া ৩:১৮)।

ঈশ্বৰৰ মহিমাৰ দৰ্শনে আমাৰ জীৱনবোৰৰ বাবে শক্তি যোগাব "... কিয়নো সমুদায় প্ৰতাপৰ ওপৰত এখন চন্দ্ৰতাপ হ'ব" (যিচয়া ৪:৫)। আন ভাষাত ক'বলৈ গ'লে, ঈশ্বৰৰ মহিমাই আমাৰ একেবাৰে বেয়া সময়তো আমাৰ পৰিস্কাৰ কৰি ৰাখিব। চয়তানে হয়তু আমাক মিছা ক'ব পাৰে "তুমি পৰাজয় হ'লা! তুমি এজন প্ৰৱঞ্চক, তুমি এজন মিছলীয়া, আৰু তুমি এজন ব্যভিচাৰী হোৱা।" কিন্তু আমি উত্তৰ দি ক'ব পাৰো, "নহয় চয়তান, মোৰ এজনা মহা পুৰোহিত আছে আৰু মই তেওঁৰ মহিমাৰ দৰ্শনৰ দ্বাৰাই পৱিত্ৰ হ'লো!"

## তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ নহিমিয়া বাইবেল কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সভা

স্থান ঃ নহিমিয়া বাইবেল কলেজ, ১০, মহম্মদ আব্দুল্লাহ ২ নং পথ, বেল্চ ৰোড, চেপাক, চেন্নাই - ৬০০ ০০৫।

সময় ঃ ১৬ মাৰ্চ, ২০২০ চন, পুৱা ৫ বজাৰ পৰা সন্ধ্যা ৭ বজালৈকে।

আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ, নহিমিয়া বাইবেল কলেজৰ, বিব্লেকৰ, থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক নিমন্ত্ৰণ কৰিছো।

| ৰেভাঃ ডাক্তৰ ইবে ৰেইনাৰ ষ্ট্ৰাচ | পালক, এচ, চাম, ছেলভা ৰাজ | পালক, এলেক্স চেমচন চাম |
|---|---|---|
| অধ্যক্ষ | সভাপতি | পৰিচালক |

### নহিমিয়া বাইবেল কলেজৰ উপাধিকৰণ সভা

২০২০ বৰ্ষৰ ১৩ জুন শনিবাৰে আবেলি ৪ টা বজাত হ'বলগীয়া নহিমিয়া বাইবেল কলেজৰ উপাধিকৰণ সভাৰ বাবে অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক। এই কাৰ্যসূচী পোৰাচাৰাক্কামৰ ৰিধাৰডন ৰোডত থকা অনিতা মেট্ৰিকুলেচন স্কুলৰ বালাৰ কালডি নিয়ালিয়াম হলত অনুষ্ঠিত হ'ব, চেন্নাই-৬০০ ০১০।



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

**"কিন্তু মই হ'লে দুখী আৰু দৰিদ্ৰ, তুমি মোৰ সহায় আৰু মোৰ ত্ৰাণকৰ্তা..."**
**(গীতমালা ৪০ঃ১৭)**

প্ৰায় ৪৬ বছৰৰ আগতে, এবাৰ চেন্নাইত এক ডাঙৰ জাগৰণ হৈছিল। দক্ষিণ আফ্ৰিকাৰ পৰা কিছুমান মহান প্ৰচাৰকসকল ইয়ালৈ আহিছিল। ঈশ্বৰে তেওঁলোকৰ যোগেদি মহান আচৰিত কৰ্মবোৰ কৰিছিল। অসংখ্য লোকবিলাকে প্ৰথমবাৰৰ বাবে তেওঁবিলাকৰ জীৱনত যীচু খ্ৰীষ্টৰ শুভবাৰ্তা শুনিছিল আৰু তেওঁলোকৰ জীৱনত আচৰিত কাৰ্য হোৱাৰ সাক্ষ্য দিছিল। মই তেওঁলোকক স্বেচ্ছাসেৱকৰ দৰে সহায় কৰি আছিলো।

কাৰ্যসূচী শেষ হোৱাৰ পাছত সেই ঠাইত কিছুমান আলহী, আয়োজক আৰু তাত সহায় কৰা লোকসকল জমা হৈ আছিল। হঠাৎ তাত দক্ষিণ আফ্ৰিকাৰ সেই আলহী শিক্ষকজনে মোক মাতি মোৰ বিষয়ে সোধা পোছা কৰিলে, মোৰ ফলক লগোৱা কাৰ্য নতুন নতুন বন্ধুসকলক আদৰণি জনোৱা কাৰ্য, জাগৰণী সভাত অংশগ্ৰহণকাৰীসকলক সহায় কৰা কাৰ্যত দেখি মোক তেওঁ বিশ্বাসী আৰু পৰিশ্ৰমী বুলি প্ৰশংসা কৰিলে।

তেওঁ মোক আকৌ সুধিলে যে মই ক'ৰ পৰা আহিছো আৰু মোক পৰৱৰ্তী দিনাখন পুৱা ৪.০০ বজাত বিমান বন্দৰত লগ কৰিবলৈ অনুৰোধ কৰিলে। মই তেওঁক উত্তৰ দি ক'লো যে ইমান সোনকালে ৰাতিপুৱা আপোনাক লগ ধৰিবলৈ মোৰ অসুবিধা হ'ব কিয়নো বিমান বন্দৰটো মোৰ থকা ঠাইৰ পৰা ২৫ কি.মি.তকৈয়ো অধিক দূৰৈত আছে আৰু মোৰ পুৰণি চাইকেলখনৰ অৱস্থা ইমানেই বেয়া যে বিমান বন্দৰত সময়মতে পোৱাটো অসম্ভৱ হ'ব।

তৎক্ষণাত, তেওঁ চাৰিওফালে চাই সেই চহৰৰ এজন মহান প্ৰচাৰকক মাতি ক'লে, "এইজন ভাই চাম. ছেলভা ৰাজ। মই দেখা পাইছো যে তেওঁ এজন স্বেচ্ছাসেৱক হিচাপে অতি ভাল কাৰ্য কৰিলে আৰু মই তেওঁৰ জীৱনত কিবা এটা বিশেষত্ব দেখা পাইছো। মই ভাৰতৰ পৰা যোৱাৰ আগেয়ে বিমান বন্দৰত তেওঁৰ সৈতে কিছু সময় কটাব বিচাৰিছো। তেওঁ অতি দৰিদ্ৰ আৰু অহা কাইলৈ ৰাতিপুৱা বিমান বন্দৰলৈ যাবলৈ তেওঁৰ কোনো সুবিধা নাই। গতিকে আপুনি মোক ৰাতিপুৱা বিদায় দিবলৈ অহাৰ সময়ত তেওঁকো আপোনাৰ গাড়ীত লগত লৈ আহিলে পৰম সুখী হ'ম।" কিন্তু এই প্ৰচাৰক ভাইজনৰ মোৰ বিষয়ে শুনি বহুত খং উঠিল আৰু আলহী শিক্ষকজনে ক'লে, "মোৰ গাড়ীত এই মানুহজনৰ বাবে খালী ঠাই নাই। তেওঁ বিমানবন্দৰলৈ নগ'লেও হ'ব।" সেই আলহী শিক্ষকজনে পুনৰ সুধিলে, "বিমান বন্দৰলৈ যাবলৈ আপোনাৰ লগত আৰু মানুহ আছে নেকি?" তেওঁ উত্তৰ দি ক'লে, "কোনো মোৰ লগত নাযাব; কিন্তু মই এই দৰিদ্ৰ মানুহজনক সহায় কৰিব নোৱাৰো।"

সেই ঈশ্বৰৰ দাসজনে, সেই প্ৰচাৰকজনৰ কথা শুনি আচৰিত হ'ল...। তেওঁ মোক ওচৰলৈ মাতি মোৰ মূৰত হাত দি কান্দি কান্দি ঈশ্বৰলৈ প্ৰাৰ্থনা কৰিলে আৰু মোৰ অভাৱ দূৰ কৰিবলৈ প্ৰাৰ্থনা কৰিলে। আকৌ তেওঁ মোক ক'লে, মোৰ ভাই চাম, "আজি মই যিজন ঈশ্বৰক সেৱা কৰি আছো সেই একেজনা ঈশ্বৰৰ তুমি এজন মহান দাস হোৱা বুলি মই জানো। মই তোমাৰ বাবে আৰু তোমাৰ পৰিচৰ্যাত সমৃদ্ধিশালী হ'বলৈ প্ৰাৰ্থনা কৰিছো। যিজন ঈশ্বৰক মই সেৱা কৰি আছো তোমাৰ বাবেও তেওঁ স্বৰ্গৰ দুৱাৰ মেলি দিব আৰু ভাৰতত তোমাৰ পৰিচৰ্যাৰ বাবে বহুত গাড়ী, বাছ আৰু আন আন প্ৰয়োজনীয় বস্তুবোৰ যোগাই দিব। যি ভাইজনে অহা কাইলৈ ৰাতিপুৱা তেওঁৰ লগত বিমানবন্দৰলৈ আনিবলৈ অস্বীকাৰ কৰিলে তেওঁক তুমি ঘৃণা নকৰিবা।"

এই অভিজ্ঞতাই মোক কোনো দুখ দিয়া নাছিল। কিন্তু মই ঈশ্বৰৰ এই দাসজনৰ দ্বাৰাই আশীৰ্বাদযুক্ত বাক্যবোৰ শুনাৰ যোগেদি মই ঈশ্বৰক ধন্যবাদ জনাইছো। দিনবোৰ অতিবাহিত হৈছিল। কিন্তু ঈশ্বৰে মোক কেতিয়াও নাপাহৰিলে। পাছত ঈশ্বৰে মোক তেওঁৰ পৰিচৰ্যাৰ বাবে গাড়ী আৰু আন আন প্ৰয়োজনীয় বস্তুবোৰ যোগাই আশীৰ্বাদ কৰিলে। তেওঁ মোক আৰু মোৰ সহকৰ্মীসকলক নিজৰ গাড়ীবোৰৰ দ্বাৰাই সেই একেই বিমানবন্দৰলৈ বহুতবাৰ অহা-যোৱা হৈ আছে। আমাৰ ঈশ্বৰ কিযে এজন আচৰিত ঈশ্বৰ হয়? সেই একেজনা ঈশ্বৰ এতিয়াও জীৱিত আছে। তেওঁ কালি, আজি আৰু সদাকাললৈকে একেই হৈ আছে।

মোৰ প্ৰিয় পঢ়ুৱৈসকল, আপোনাৰ ওপৰত থকা যি অভিষেক আন মানুহবিলাকে যদি গ্ৰাহ্য নকৰে আপুনি নিৰাশ হ'বনে? আপুনি আপোনাৰ বৰ্তমানৰ নীহ অৱস্থা দেখি নিৰাশ হৈছেনে? আপুনিও আপোনাৰ নিজ মানুহৰ দ্বাৰাই প্ৰতাৰিত হৈছেনে? ঈশ্বৰে কৈছে, "তোমাৰ হৃদয় ব্যাকুল নহওক... মই তোমালোকক অনাথকৈ এৰি নাযাওঁ ঃ মই তোমালোকৰ ওচৰলৈ আহিম" (যোহন ১৪ঃ১,১৮)। তেওঁৰ ইচ্ছাৰ কেন্দ্ৰবিন্দুত আপোনাৰ জীৱন চলাই থাকক। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

****


**Statement about ownership and other particulars about the Newspaper Echo of His Call (Assamese) - Form IV**
**(See Rule 8)**

1. Place of Publication : 10, Mohammed Abdullah 2nd Street, Chepauk, Chennai - 600 005.
2. Periodicity : Monthly
3. Printer, Editor, Owner & Publisher : **S. Sam Selva Raj** (Same Address)
4. Nationality : Indian

I, **S. Sam Selva Raj,** hereby declare that the particulars given above are true to the best of my knowledge and belief.

**March 2020** **S. Sam Selva Raj.**

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/18-20 WPP NO. TN/PMG(CCR)/WPP-262/18-20

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

**বাৰ্ষিক বৰঙণি ১০০/- টকা**

**জীৱিতৱস্থাত বৰঙণি ২০০০/- টকা**

তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ বহুবিদীয়া কাৰ্যসমূহক আপোনাৰ দৰে ঈশ্বৰৰ সন্তানসকলে দিয়া দান আৰু বৰঙণি দ্বাৰাই চলোৱা হয়। যদি ঈশ্বৰে আপোনাক চলাই, আপুনিও তেওঁৰ আহবানৰ প্ৰতিধ্বনিলৈ আৰ্থিক সহায় পঠাব পাৰে। প্ৰভুৰ শুভবাৰ্তা নোপোৱা ঠাইবিলাকত শুভবাৰ্তা পঠাবলৈ আমাক আৰ্থিক সহায়ৰ প্ৰয়োজন আছে।

যদি আপুনি আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ আলোচনীখন পাবলৈ ইচ্ছা কৰে, তেন্তে আমালৈ পত্ৰ লিখক। যদি আপুনি আপোনাৰ ডাকঘৰৰ ঠিকনা বা ই-মেইল সলনি কৰিবলগীয়া হয়, অনুগ্ৰহ কৰি আমাক জনাওক।

আমাৰ ৱেবচাইটত ১৬ টা ভাষাত তেওঁৰ আহবানৰ প্ৰতিধ্বনি পোৱা যাব। চাইটত চাই বা ডাউনলোড কৰি আপুনি পঢ়িব পাৰে আৰু আশীৰ্বাদো পাওক।

আপোনাৰ পত্ৰ, প্ৰাৰ্থনা অনুৰোধসমূহ আৰু আপোনাৰ আৰ্থিক সহায় (ডি.ডি. চেকৰ দ্বাৰা বা এম.অ' ইত্যাদি) তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ বাবে তলত দিয়া ঠিকনালৈ পঠাওক।

অনুগ্ৰহ কৰি আপোনাৰ লেণ্ড ফোন/চেল ফোন নং আৰু ই-মেইল ঠিকনা পঠাওক।

**ECHO OF HIS CALL**
**10, MOHAMMED ABDULLAH 2ND STREET,**
**CHEPAUK, CHENNAI - 600 005, INDIA.**
**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766**
**Cell : (+91) 98410 71852, 95661 31858**
**E-mails : sam@echoofhiscall.org / biblecor@yahoo.co.in**
**Websites : www. echoofhiscall.org / www.echoofhiscall.com**

**আপুনি আপোনাৰ বৰঙণিসমূহ অনলাইনৰ যোগেদিও পঠিয়াব পাৰে**

*অষ্টম পৃষ্ঠাৰ পৰা*

যেতিয়া ঈশ্বৰে মোচিলৈ তেওঁৰ সকলো প্ৰকৃতি প্ৰকাশ কৰিছিল, তেওঁ এয়ে সম্পূৰ্ণভাৱে প্ৰকাশ কৰি দিলে যে তেওঁ "... নিশ্চয়ে দোষীক নিৰ্দোষী নকৰে ..." (যাত্ৰাপুস্তক ৩৪:৭)। অজৰিয়াই আচা ৰজাৰ আটাইতকৈ সমৃদ্ধিশালী হোৱাৰ সময়ত ভৱিষ্যবাণী কৰি ক'লে, "তুমি যদি ঈশ্বৰৰ মহিমাক ঘৃণা কৰা যদি তুমি পাপক প্ৰশ্ৰয় দিয়া আৰু ঈশ্বৰক অৱজ্ঞা কৰা তেওঁ তোমাক পৱিত্ৰ নকৰিব! "... তোমালোক যেতিয়ালৈকে যিহোৱাৰ লগত থাকা, তেতিয়ালৈকে তেঁৱো তোমালোকৰ লগত থাকিব আৰু যদি তোমালোকে তেওঁক বিচাৰা, তেনেহ'লে তেঁৱো তোমালোকক নিজকে পাবলৈ দিব, কিন্তু যদি তোমালোকে তেওঁক ত্যাগ কৰা, তেন্তে তেঁৱো তোমালোকক ত্যাগ কৰিব" (২ বংশাৱলী ১৫:২)।

ঈশ্বৰে ইয়াত যি কৈ আছে সি একেবাৰে সাধাৰণ কথা : "হে মোৰ পুত্ৰ মোক জানিবলৈ সময় লোৱা! মোৰ বাক্যক বিচাৰা আৰু তোমাৰ প্ৰাৰ্থনাৰ গোপন কক্ষত মোক বিচাৰা, যেতিয়া তুমি মোৰ উপস্থিতিত লাগি থাকিবা, তেতিয়া মোৰ মহিমালৈ তোমাৰ চকু মুকলি হ'বলৈ আৰম্ভ কৰিব। এই সকলো খ্ৰীষ্টত প্ৰকাশিত হ'ল। মোৰ প্ৰেম, অনুগ্ৰহ, দয়া, মৃদুভাৱৰ তেঁৱেই হৈছে সম্পূৰ্ণ প্ৰকাশ।"

"এই প্ৰকাশত যেতিয়া আপুনি একেৰাহে প্ৰতিবিম্ব পেলাব সেয়াই আপোনাক পৱিত্ৰকৃত আৰু পৰিস্কাৰ কৰিব। কিয়নো আপুনি আৰু অতিকৈ যীচু খ্ৰীষ্টৰ দৰে হ'ব। যেতিয়া আপুনি দেখিব যে তেওঁ কিমান আপোনালৈ প্ৰেম আৰু দয়া কৰিছে, তেতিয়া আপুনিও আনলৈ আৰু অধিক প্ৰেম আৰু দয়া দেখুৱাব। আৰু সেয়ে মোৰ মহিমা তোমালৈ প্ৰকাশ কৰাটোৱে হ'ব!"

প্ৰিয়সকল, আচৰিত চিনৰ বাবে অপেক্ষা কৰা বন্ধ কৰক। কিবা শক্তিয়ে আপোনাৰ মণ্ডলীক জোকাৰি দিয়ালৈ আশা কৰি বাট চাবলৈ বন্ধ কৰক; বা কোনোবা বাৰ্তাবাহকে আপোনাৰ মূৰত হাত দি আপোনাৰ সকলো সমস্যাবোৰ দূৰ কৰালৈ বাট চাবলৈ বন্ধ কৰক। কেৱল ঈশ্বৰকহে বিচাৰক! তেওঁৰ বাক্যই স্পষ্ট কৰি দিয়ে আপুনি তেওঁৰ উপস্থিতিক উপভোগ কৰক বা ইয়াক পাতলকৈ লওক : "কিয়নো যিহোৱালৈ সিবিলাকৰ মন সিদ্ধ সিবিলাকৰ পক্ষে নিজকে বলৱান দেখুৱাবৰ নিমিত্তে তেওঁৰ চকু পৃথিৱীৰ চাৰিওফালে ভ্ৰমণ কৰে..." (২ বংশাৱলী ১৬:৯)।

আপোনাৰ সম্পূৰ্ণ হৃদয়েৰে তেওঁক বিচাৰক আৰু আপোনাৰ জীৱনত তেওঁৰ উপস্থিতিক বিচাৰক। তেতিয়া আপুনি ঈশ্বৰৰ আচৰিত মহিমাক জানিব আৰু অভিজ্ঞতা লাভ কৰিব।

****

**RNI NO. TNASS/2000/2335**
**Postal Regn. No. TN/CH/(C)/204/18-20**
**WPP NO. TN/PMG(CCR) / WPP- 262/18-20**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th MARCH 2020**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957,**
**Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

***JESUS LOVES YOU!***

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**